চান্দমামা

জুন ১৯৮৫

মালতোভা দলে আচৰিত কৰি তোলে

সেইদিনা মিনিৰ জন্মদিন আছিল। বাকী থকা কেক্ খিনিৰে সকলোৱে মিলি ঘৰৰ সন্মুখৰ চোতালত বহি মালতোভা খাইছে। কেকটো খাবলৈ ইমান ভাল আছিল। "ৰুমাল চুৰি"কে আদি কৰি সেইদিনা যে কিমান ফূৰ্ত্তি আছিল। মিনিয়ে বহুত ধুনীয়া ধুনীয়া উপহাৰ পালে। কিন্তু অকণমানী জন্মদিনৰ ছোৱালীজনীয়ে মনমাৰি বহি আছে।

"মিনি, তোমাৰ কি হল?"

দেবু জানানে ধিবু অনাথ আশ্ৰমৰ। মায়ে তেওঁক কালি মাতিছিল, তোমালোকে জানানে ধিবুৱে আজিলৈকে কাৰো জন্মদিনলৈ গৈ পোৱা নাই? অনাথ আশ্ৰমত কেতিয়াও জন্মদিন পতা নহয়। ধিবুৰ জন্মদিন শনিবাৰে।" মিনিৰ চকুৰ পৰা দুখাৰ চকুলো বৈ আহিল, সকলো নিৰৱ। তেওঁলোক সকলোৱে ধিবুক জানে আৰু ভাল পাই কিন্তু তেওঁ সদায় মন মাৰি থাকে।

চালিমে এটা বুধি পাঙিলে…

চালিমে এটা দুষ্ট হাঁহি মাৰি বহিল। তাহাঁতে যদি ধিবুৰ বাবে এটা পাৰ্টিৰ ব্যৱস্থা কৰে। প্ৰত্যেকেই সম্মতি দিলে "এইটো বৰ মজাৰ হব"। দেবুৰ হাতত অলপ সাচতীয়া পইছা আছিল। ভেনুৱে কলে তেওঁৰ মাকে এটা কেক্ বনাব পাৰিব। মালতীয়েও অলপ পইছা দিলে আৰু মিনিয়ে তাইৰ কিছুমান উপহাৰ দিলে, সকলো বৰ কৌতুহল হ'ল কাৰণ এইটো তেওঁলোকৰ বৰ সুখৰ গোপনতা।

ধিৰুৰ বাবে সচাকৈয়ে আচৰিত

সেই শনিবাৰৰ দিনা ধিবুক চালিমহতৰ ঘৰলৈ নিমন্ত্ৰন কৰা হল। ধিবুক কোনেও ওলগ জনোৱা নাই সেই কাৰণে তেওঁৰ বৰ দুখ, তেওঁ দৰজাখন হেচুঁকি ভিতৰ সোমাই গল। "তোমালোক ক'ত আছা" ঘৰটো আন্ধাৰ আছিল আৰু হঠাৎ পোহৰ হ'ল আৰু প্ৰত্যেকেই গান গালে" "হেপি বাৰথদে"। ধিবুৰ অনাথ আশ্ৰমৰ সকলো বন্ধু আৰু মালতোভা দল, এটা ডাঙৰ গুলপীয়া আৰু বগাৰঙৰ ডাঙৰ কেক্ টেবুলত আছিল। চাৰিওফালে বেলুনেৰে ভৰা আৰু ধোৱা ওলাই থকা গৰম মালতোভা; তাৰোপৰি উপহাৰো, সচাকৈয়ে ধিবুৰ বাবে আনন্দৰ মেলা। মন মাৰি থকা ধিবু আজি আনন্দৰে ভৰা।

মালতোভাই সকলো সলনি কৰে

মালতোভাৰ ল'ৰা-ছোৱালীয়ে জীৱনত সকলো পাই কাৰণ প্ৰত্যেক পিয়লা মালতোভাতে আছে সোনালী ঘেহু, বাৰ্লি, খাটি গাখীৰ, বলকাৰক কৰা আৰু শৰ্কৰাৰ উপকাৰী অংশ। ই শক্তিদায়ক, প্ৰতিৰোধকাৰক আৰু বলকাৰক। আপোনাৰ লৰা-ছোৱালীক মালতোভা দিয়ক, দেখাপাব তেওঁলোক শক্তিবান আৰু স্বাস্থ্যবান হৈছে। মালতোভাই আপোনাৰ লৰা-ছোৱালী জীৱনৰ বাবে স্পৃহা বঢ়াই।

মালতোভা ক্লাবত যোগদান কৰক।

এইটো তেনেই উজু। মাত্ৰ ৫০০ গ্ৰামৰ তিনিখন জাৰ লেবেল আৰু ভিতৰৰ চিল অংশ অথবা তিনিখন ৫০০ গ্ৰামৰ ঢাকনি পঠাওক।

মালতোভা ক্লাব
ফৰথ ফ্লৰ, ভানদাৰী হাউচ,
৯১, নেহেৰু প্লেচ, নতুন দিল্লি-১০০ ০১৯
আপুনি অংশ ললে।

JIL জগৎজিত ইণ্ডাষ্ট্ৰীজ লিমিটেড

ভিটামিন যুক্ত মালতোভা: স্বাস্থ্য, বল আৰু শক্তিৰ বাবে

SIMOES/JIL/002/85 ASM

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
सुपर
रिन
सफ़ेदी की चमकार
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক — আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্তান লিভাৰৰ উৎকৃষ্ট উৎপাদন

THE HERITAGE

A monthly magazine that satisfies your family's need for intelligent reading and good taste.

Dear Friend:

Every age in history had its own trends. One of the trends of our time is our eagerness to know much of many things.

As a response to this yearning there has been a magazine boom. Every now and then a new periodical is announced.

We too are bringing to you the news of a new English monthly, THE HERITAGE.

Is it to keep pace with this trend that we are launching THE HERITAGE?

Strange though it may sound, THE HERITAGE will set a new trend—you'll be proud of.

We who have worked hard for decades to give our young a clean and healthy reading fare, are now launching a magazine of sound values and enjoyable literature for your whole family, from January'85.

Eassys that stimulate your thinking, features that speak of many little-known aspects of Indian culture, stories and novels that are remarkable for human values and artistic merit, will make THE HERITAGE.

With over a hundred pages of variety, blended with colour and black-and-white pictures, THE HERITAGE will refuse to compromise with anything that is unworthy of you.

We address this letters to you, because we feel that you will be one of those who would like to see the success of such a magazine.

A year's subscription to THE HERITAGE cost Rs.72.00, but you can still enroll yourself or a friend of yours at the pre-launch price of Rs.60.00. Please send a M.O. or Demand Draft (drawn in favour of Dolton Agencies) To. **Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026.**

With best wishes,

The Publishers.

From the publishers of Chandamama

THE HERITAGE

It's worth preserving. Every issue of it.

চান্দমামা

সংস্থাপক: চক্ৰপাণি

সঞ্চালক: বি নাগিৰেড্ডি

চান্দমামাৰ 'ফটো-নামকৰণ প্ৰতিযোগিতালৈ যোগদান কৰাত বয়সৰ বাধা নাই। পিছে প্ৰতিযোগীয়ে নিজৰ বয়সৰ উল্লেখ কৰিব। প্ৰতিযোগীয়ে নিজ হাতেৰে লিখি প্ৰতিযোগিতাত যোগদান কৰিব। নিজৰ সম্পূৰ্ণ নাম-ঠিকনা অসমীয়াত বা ইংৰাজীত লিখিব। প্ৰতিযোগিতাৰ ফলাফলৰ ক্ষেত্ৰত চান্দমামাৰ বিচাৰকমণ্ডলীৰ সিদ্ধান্ত চূড়ান্ত। এই বিষয়ে ব্যক্তিগতভাৱে পত্ৰালাপ কৰা নহয়।

অমৰ-বাণী

ন কুৰ্বাৎ কলহম্ স্ত্ৰীভিঃ ভালৈস্সহা ন চিন্তয়েৎ।
ন ত্যজেদুত্তমম্ শীলম্ ন কুৰ্বাৎ স্বামী গৰ্হনম্॥

[নাৰীসকলৰ লগত কাজিয়া কৰা, বালকৰ সৈতে গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা, সকলো ভাল বস্তু পৰিত্যাগ কৰা আৰু গৰাকীৰ নিন্দা কৰা কেতিয়াও উচিত নহয়।]

বছৰ: ১০ জুন ১৯৮৫ সংখ্যা: ৩

খনে: ২·০০ টকা: বছৰেকীয়া বৰঙণি: ২৪·০০ টকা

A CHANDAMAMA PUBLICATION

চান্দমামাৰ খুটুৰা-খবৰ

কথা-কোৱা মূর্তি

বম্বেৰ এক প্রদর্শনীত কথা কোৱা মূর্তি প্রদর্শিত হৈছে। তাত এশজন বিখ্যাত ভাৰতীয় লোকৰ মূর্তিৰ মাজত জৱাহৰলাল নেহৰুৰ মূর্তি আছিল অন্যতম। ইলেকট্রনিক কম্পিউটাৰৰ যোগেদি এই মূর্তিৰ মুখৰপৰা প্রধানমন্ত্রী জৱাহৰলালৰ ৪৯৬১ চনৰ ১০ নৱেম্বাৰত ৰাষ্ট্রসংঘত প্রদত্ত বক্তৃতা শুনা গৈছিল।

হাজাৰ ভুতৰ পর্বত

হিমালয় পর্বতশ্রেণীৰ অন্যতম কাৰাকোৰামৰ এটি পর্বত-চূড়াৰ নাম আছিল হাজাৰভূতৰ পর্বত। এই পর্বতলৈ যোৱাসকলে এই চূড়াৰ উচ্চতাৰ পৰিমাপ হেনো কেতিয়াও ল'ব পৰা নাছিল। সম্প্ৰতি উত্তৰ কাশীৰ নেহৰু পর্বতাৰোহণ সন্থাৰ সদস্যবৃন্দই এই চূড়া পালেগৈ। এই সন্থাৰ সর্বাধ্যক্ষ কোল্ বলৱন্ত সান্ধুৱে এই ভূত-পর্বত অভিযানত নেতৃত্ব দিছিল। আৰু সহযোগিতা আগবঢ়াইছিল ভাৰত-জাপান মৈত্রী পৰিষদে।



নতুন সূর্য্যমণ্ডল

বিজ্ঞানীসকলে সম্প্ৰতি আন এটি সূর্য্যমণ্ডল আৱিষ্কাৰ কৰিছে। এই নতুন সূর্যমণ্ডল পৃথিৱীৰপৰা ৫০ আলোক-বর্ষ দূৰৈত অৱস্থিত (এবছৰত পোহৰ যিমানদূৰলৈ পাৰে, সেই দূৰত্বক 'আলোকবর্ষ' বোলে)। এই নতুন সূর্য্যমণ্ডল আৰু পৃথিৱীৰ মাজত দূৰত্ব হ'ল আমাৰ সূর্য্যমণ্ডল পৃথিৱীৰ দূৰত্বৰ চাৰিশগুণ অধিক।

জানিবলগীয়া

১। প্রাচীন গ্রিকসকলে ভাৰতৰ কোন অঞ্চলক বাৰিগোজা নামেৰে অভিহিত কৰিছিল?

২। মুহম্মদ-বিন-তুঘলকে তেওঁৰ ৰাজধানী দিল্লীৰপৰা দেৱগিৰিলৈ উঠাই লওঁতে দেৱগিৰিৰ কি নামকৰণ কৰিছিল?

৩। দিল্লীক কেতিয়াৰপৰা ভাৰতবর্ষৰ ৰাজধানীৰূপে গণ্য কৰা হৈছিল?

৪। শ্বাহজাহানে ক'ৰপৰা তাজমহল সৃষ্টিৰ প্ৰেৰণা পাইছিল?

৫। সর্বপ্রথমে কোনগৰাকী মোগল শাসকৰ আমোলত ভাৰতত ধঁপাতৰ আমদানী কৰা হৈছিল?

[উত্তৰ : ৬৪নং পৃষ্ঠাত]

চৈতন্য

পঢ়ালিখা শেষ হ'ল, আৰু চৈতন্যই চাকৰিটো পায়েই গাঁও এৰি গ'লগৈ নগৰলৈ। থকা ঠাইৰপৰা কৰ্মস্থলৰ দূৰত্ব বেছি হোৱাত চৈতন্য গাড়ীৰে যোৱা-অহা অহা-যোৱা কৰিবলৈ ধৰিলে।

বুঢ়া-থেৰাসকলৰ প্ৰতি চৈতন্য আছিল সহানুভূতিশীল। সি অহা-যোৱা কৰা গাড়ীখনৰ চালকক মাহেকত পঞ্চাছ টকাকৈ দিছিল। এদিন চৈতন্যই গাড়ীৰ চালক চানাৰামক ক'লে, "হেৰা চানাৰাম, তোমাৰ ল'ৰা দুয়োটায়েই হেনো ৰোজকাৰ-পাতি কৰে বুলি তুমি কৈছিলা। তথাপি তুমি ইমান খাটিছা কিয়?"

চানাৰামে হাঁহি মাৰি কৈছিল, "ল'ৰা-হঁতৰ পইচাপাতি দেখোন—আনৰ পইচা যেনহে লাগে। এই দেহাত বল-শক্তি থকালৈকে নিজৰ জোখাৰে নিজেই খাটি-পিটি আয় উপাৰ্জন কৰিলেহে ভাল। দেহাও ভালে থাকিব, মনো।"

চৈতন্যৰ দেউতাকে নগৰলৈ পঠিয়াই পঢ়ালিখা কৰোৱাইছিল বহু কষ্টেৰে। চৈন্যৰ মনত পৰিল তাৰ দেউতাকে তাক এদিন কোৱা সেই কথাষাৰ "চা বোপা, লিখা-পঢ়া শিকাৰ অন্তত যিদিনা তই চাকৰি পাবি—সিদিনাৰপৰা মই আৰু একো কাম-বন নকৰোঁ, ঘৰতে শুই-বহি জিৰণি ল'ম।"

কিন্তু তেওঁৰ সেই আশা পূৰণ নহ'ল। চৈতন্যাই চাকৰিত সোমোৱাৰ সাদিনমানৰ আগতে টান বেমাৰত পৰি চৈতন্যৰ দেউতাক ঢুকাল।

কৰ্মস্থললৈ যোৱা-অহাৰ বাটত এজন

'ব্ৰহ্মানন্দ'



কমেও সত্তৰ বছৰীয়া বুঢ়াক চৈতন্যই দেখা পাইছিল। এই বুঢ়াই ফুলৰি, আলুবৰা আদি ভাজি বেচিছিল।

কিন্তু এদিন চৈতন্যই দেখিলে যে বুঢ়া তাত নাই। নাই মানে—নায়েই আৰু। এদিন নহয়, দুদিন নহয়, বহু বহু দিন। কিন্তু এঘাৰ দিনৰ দিনা পুনৰ বুঢ়াক দেখা পাই চৈতন্যই বুঢ়াক সুধিলে, "ককা, কথানো কি? যোৱা দহদিন ক'ত আছিলাগৈনো?"

অচিনাকি মানুহ এজনৰপৰা এনে আন্তৰিক কথা শুনি বুঢ়াই ভাল পাই ক'লে, "বোপাহে, আঠ দিন ধৰি পাটীতে আছিলোঁ, নৰিয়াপাটীত। এইবাৰ যমে ইতলা পঠালে বুলিহে ভাবিছিলোঁ, মই পিছে নহ'ল।"

চৈতন্য বুঢ়াৰ প্ৰতি সহানুভূতিশীল হৈ পৰিল। চৈতন্যই বুঢ়াক সুধিলে, "ককা, তোমাৰ এই আটাইবোৰ ফুলৰি আলুবৰাখিনিৰ দাম কিমান?"

"পাঁচ টকামান হ'ব। তাৰ ভিতৰত এটা টকা মোৰ লাভ।" বুঢ়াই ক'লে।

"ঠিক আছে, মোক আটাইখিনি দিয়া। এয়া লোৱা পাঁচ টকা। তুমি ইমান ৰ'দত ইয়াত বহি নাথাকি ঘৰলৈ গৈ বিশ্ৰাম কৰাগৈ।" চৈতন্যই বুঢ়াক ক'লে আৰু টকা পাঁচটা বিস্মিত বুঢ়াক দি, ফুলৰি আলুবৰাখিনি লৈ গাড়ীত উঠি বহিল।

কিছুদূৰলৈ যোৱাৰ পাছত গাড়ীৰ চালক চানাৰামে চৈতন্যক সুধিলে, "হেৰি ডাঙৰীয়া, ইমান ফুলৰি-আলুবৰাৰেনো আপুনি কি কৰিব?"

"তুমি এইখিনি লৈ যাবা, নিজে খাবা, ঘৰত খুৱাবা, আৰু বাদবাকীখিনি চুবুৰীয়াক বিলাবা।" চৈতন্যই ক'লে।

পাছদিনাও চৈতন্যই পুনৰ পাঁচটকাৰে বুঢ়াৰপৰা আটাইখিনি বস্তু কিনি ল'লে।

তৃতীয় দিনাও যেতিয়া চৈতন্যই গাড়ীখন ৰখালে, তেতিয়া চানাৰামে আৰু

নকৈ নোৱাৰিলে, "আপুনিনো কিমানদিন এইদৰে পাঁচটকাকৈ খৰচ কৰিব ?"

"মোৰ এই ককা যিমানদিন জীয়াই থাকিব, সিমানদিনলৈ।" চৈতন্যই ক'লে।

বুঢ়া মানুহজনে চৈতন্যক ক'লে, "বোপা, কথা এটা কওঁনে তোমাক ? তুমি মোৰ বস্তুখিনি সোপাকে কিনি লোৱাত মই ঘৰলৈ গুচি যাওঁ, আৰু তাত আকৌ গোটেই দিনটো হাড়ভঙা খাটনি খাটিবলগীয়া হওঁ। 'কালি—গোটেই দিনটো ৰ'দত বহি খৰি ফালিছিলোঁ। তুমি এইবোৰ কিনি লৈ মোক এইদৰে কষ্ট নিদিবাচোন।"

বুঢ়াৰ কথা শুনি চৈতন্যই চৈতন্য হেৰুৱাওঁ হেৰুৱাওঁ হ'ল। তাৰ নিজৰ দেউতাকে তাৰ উপাৰ্জনেৰে খাব আৰু জিৰণি ল'ব বুলি ভাবিছিল ; কিন্তু নহ'ল, ঢুকাল। আনহাতে—চানাৰামৰ সুবিধা থকা সত্বেও সি তাৰ ল'ৰাহঁতৰ ওপৰত নিৰ্ভৰশীল হোৱা নাই। কিন্তু এই সত্তৰবছৰীয়া বুঢ়াক তাৰ ল'ৰাটোৱে খটুৱাই মাৰিছে। কিমান বেয়া কথা !

বুঢ়াৰ ল'ৰাটোক এশিকনি দিব বুলি চৈতন্যই তাৰ মনতে খাটাং কৰিলে। চৈতন্যই বুঢ়াক ক'লে, "ককা, তুমি আজিৰেপৰাই মোৰ ওচৰত থাকিবা। তোমাৰ দায়িত্ব মই ল'লোঁ।"

বুঢ়াই ক'লে, "কি কোৱাঁহে, বোপা !



এই কাম কৰিলে—মোৰ ল'ৰাটোৰে হৈ হুলস্থুল নলগাবনেহি?"

কিন্তু চৈতন্যই বুঢ়াক বুজনি দি, তাৰ ঘৰলৈ লৈ গ'ল।

পাছদিনাই অহুকাণে-পহুকাণে খবৰ পাই বুঢ়াৰ পুতেক বাঞ্ছাৰাম চৈতন্যৰ ঘৰলৈ গ'ল আৰু তাৰ দেউতাকক এইদৰে লৈ অহাৰ কাৰণ চৈতন্যক সুধিলে।

এই সত্তৰবছৰীয়া বৃদ্ধক গোটেই দিন ধৰি শ্ৰম কৰিবলৈ বাধ্য কৰা যে কিমান অন্যায়, বাঞ্ছাৰামক বুজাই কোৱাৰ অন্তত চৈতন্যই ক'লে, "তুমি কেনেকুৱা পুত্ৰহে? সত্তৰবছৰীয়া পিতৃক খটুৱাই মাৰিবলৈ লাজ লগা নাইনে তোমাৰ?"

বাঞ্ছাৰমে ক'লে, "চাওক, দেউতাৰ আৰ্জনেৰে দেউতাৰ কাৰণেই ইটো-সিটো কৰোঁ। আৰু—গোটেই দিনটো শুই-বহি কটালে তেওঁৰ শৰীৰ-স্বাস্থ্য—"

"ঠিক আছে, তেনেহ'লে তেওঁ মোৰ ওচৰত থাকক।" বাঞ্ছাৰামৰ কথা শেষ নৌহওঁতেই চৈতন্যই কৈ উঠিল, "তেওঁৰ দায়িত মই ল'লো। অৱশ্যে—তোমাৰ যদি এই কথাত আপত্তি নাই—তেহে।"

বাঞ্ছাৰামক নীৰৱে তলমূৰ হৈ থকা দেখি চৈতন্যই পুনৰ ক'লে, "এই বুঢ়া বয়সত তেওঁ যে তোমাৰ ওচৰত থাকিহে ভাল পাব, কথাটো দিনৰ পোহৰৰ দৰেই সঁচা। এয়ে মানুহৰ ধৰ্ম। ঠিক আছে, তেওঁক তুমি লৈ যোৱা। পিছে—মোৰ অনুৰোধ, এই বয়সত চাকৰৰ দৰে নখটাবা, প্ৰকৃত জন্মদাতাৰ সন্মান দিবা।"

বাঞ্ছাৰামে তাৰ দেউতাক ক'লে, "দেউতা, তোমাক তেনেকৈ খটুৱাই মই যি ভুল কৰিলোঁ, সেই ভুলৰ বাবে মই অনুতপ্ত। তুমি এতিয়া ঘৰলৈ ব'লা।" এই বুলি কৈ, চৈতন্যৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি বাঞ্ছাৰামে তাৰ বুঢ়া দেউতাকক লৈ ঘৰলৈ উভতি গ'ল।



কাঁহৰ কিল্লা



৫

চন্দ্ৰবৰ্মাই সেনাপতি ধীৰমল্লৰ সহায়ত ধীৰে ধীৰে হলেও সৰ্পকেতুৰ সৈন্যইতক ভালকৈ এসেকা দিব পাৰিলে। কিন্তু সৰ্পকেতুৱে ইতিমধ্যে পুনৰ ঢেৰ সৈন্য গোটাই-পিটাই ভীমমূৰ্তি ধৰি তাত উপস্থিত হ'লহি। ইপিনে প্ৰ সাদৰ দুৰ্গ ৰক্ষা কৰিবলৈ চন্দ্ৰবৰ্মা আগতেই তাৰপৰা আঁতৰি গৈছিল। কিন্তু সৰ্পকেতুৰ সৈন্যইতে তাৰো আগতে দুৰ্গৰ দুৱাৰ ভাঙি পেলাইছিলগৈ। পিছফালৰপৰা চন্দ্ৰবৰ্মাই সিইতক আক্ৰমণ কৰিলেহি। তাৰ পাছত·········

চন্দ্ৰবৰ্মাই যেতিয়া দুৰ্গৰ দুৱাৰমুখ পালেগৈ তাৰ আগতেই ধূৰ্ত সৰ্পকেতুৰ সৈন্যহঁতে দুৰ্গ আগুৰি ধৰিছিল। সৰ্পকেতুৰ সৈন্যৰ লগত চন্দ্ৰবৰ্মাৰ সৈন্যহঁতৰ তুমুল তয়াময়া লাগি পৰিল। সংখ্যাত সৰ্পকেতুৰ সৈন্যহঁত আছিল চন্দ্ৰবৰ্মাৰ সৈন্যতকৈ চাৰি-পাঁচ-গুণ বেছি। বহুতো পৰলৈকে যুদ্ধ কৰাৰ পাছতো চন্দ্ৰবৰ্মাই দুৰ্গৰ দুৱাৰমুখলৈ যাব নোৱাৰিলে। চন্দ্ৰবৰ্মা দুশ্চিন্তিত হ'ল। এনেতে দূৰৰপৰা নতুন এদল অশ্বাৰোহী



সৈন্য অহালৈ লক্ষ্য পৰিল চন্দ্ৰবৰ্মাৰ। সুবাহুৱে তাৰ ঘোঁৰাটো তীব্ৰ গতিৰে চেঁকুৰাই চন্দ্ৰবৰ্মাৰ ওচৰলৈ গৈ তেওঁক ক'লে, "যুৱৰাজ, এতিয়া আমি বিৰাট এক বিপদত পৰিম কিজানি। আমাক পিছ ফালৰপৰা আক্ৰমণ কৰিবলৈ অতি ধূৰ্ত সৰ্পকেতুৱে নতুনকৈ অশ্বাৰোহী সৈন্য লৈ আহিব ধৰিছে।"

এতিয়া চন্দ্ৰবৰ্মাৰ অৱস্থা—আগত গজহস্তী, পাছত মাৰখাৱৈ। সমুখতো সৰ্পসৈন্য, পিছতো। এনে অৱস্থাত—এই ঠাই এৰি গুচি যোৱাটোহে ভাল হ'ব কিজানি। তেওঁৰ সেনাপতি ধীৰমল্লয়ো ধীৰস্থিৰভাৱে এই কথাকে ভাবিছিল। তেওঁ সৰ্পসৈন্যৰ হুংকাৰ আৰু জয়ধ্বনি শুনি চন্দ্ৰবৰ্মাক ক'লে, "যুৱৰাজ, আপুনি অযথা পলম নকৰি এই মুহূৰ্ততে ইয়াৰপৰা গুচি যাওক।"

চন্দ্ৰবৰ্মাই নিজৰ অশ্বটোক ঘূৰাই সুবাহুক মাতিলে। সুবাহুৱে চন্দ্ৰবৰ্মাক অনুসৰণ কৰিলে। সৰ্পসৈন্যহঁতৰ মাজত কিছুমানে চন্দ্ৰবৰ্মা আৰু সুবাহুক তীব্ৰ গতিৰে খেদি আহিল।

কিন্তু ধীৰমল্লই হঠাৎ অতি দ্ৰুতগতিৰে সৰ্পসৈন্যক বাধা দিলে।

বাধাৰ সন্মুখীন হৈ সৰ্পকেতুৰ সৈন্যহঁতে চন্দ্ৰবৰ্মাক আক্ৰমণ কৰিব নোৱাৰিলে। চন্দ্ৰবৰ্মা আৰু সুবাহু নিৰাপদে তাৰপৰা গুচি গ'ল।

গৈ গৈ চন্দ্ৰবৰ্মা আৰু সুবাহু নগৰৰ দক্ষিণদিশৰ দুৱাৰলৈ গ'ল। এইখন দুৱাৰেদিয়েই প্ৰাসাদলৈ সোমাবগৈ পাৰিব বুলি চন্দ্ৰবৰ্মাই ভাবিছিল। কিয়নো—আন প্ৰবেশপথবিলাকত সৰ্পসৈন্যহঁত পৰ দি ৰৈ আছে।

পোনে পোনেই দুৱাৰমুখলৈ নগৈ চন্দ্ৰবৰ্মা আৰু সুবাহুৱে দূৰৰপৰা সকলো কথা-কাণ্ডৰ আলেখ-লেখ লৈথাকিল। তীক্ষ্ণভাৱে পৰ্যবেক্ষণ কৰাৰ অন্তত তেওঁলোকে

বুজি পালে যে দক্ষিণ-দুৱাৰত শত্ৰুসৈন্য নাই। অৱশ্যে আন কিছুমান মানুহে এখন দুৱাৰেদি অহা-যোৱা কৰি থকালৈ তেওঁলোকে লক্ষ্য কৰিলে। অলপমান আগুৱাই গৈ তেওঁলোকে লক্ষ্য কৰিলে যে—অলপ আঁতৰত ঘোঁৰা কেইটামানক মেলি দি সাত-আঠটামান সৰ্পসৈন্য তাত টহলি ফুৰিছে।



সুবাহুৱে চন্দ্ৰবৰ্মাক সৰু সৰুকৈ ক'লে, "যুৱৰাজ, আমাৰ সেনাপতি ধীৰমল্লদেৱে নিশ্চয় এতিয়ালৈকো শত্ৰুসৈন্যক খেদি আছে। পিছে—বৰ বেছি সময়লৈ এই কাম তেওঁ চলাই যাব নোৱাৰিব কিজানি। দ্ৰুতগতিৰে ঘোঁৰা চেকুৰাই একেজাঁপে দুৱাৰ পাৰ হৈ নগৰৰপৰা ওলাই যোৱাটোহে আমাৰ পক্ষে এতিয়া উচিত কাম হ'ব বুলি ধাৰণা হৈছে। ইয়াৰ বাহিৰে আন একো উপায়ো নেদেখোঁ।"

মূৰ দুপিয়াই চন্দ্ৰবৰ্মাই সুবাহুৰ কথা মানি ল'লে।

তাৰ পাছত চন্দ্ৰবৰ্মাই সুবাহুলৈ ইংগিত কৰি চকুৰ পচাৰতে ঘোঁৰাটোক তীৰৰ গতিৰে চেঁকুৰাই দিলে।

তাত থকা সৰ্পসৈন্যকেইটাই তৎক্ষণাৎ তৰোৱাল দাঙি একেজাঁপে ঘোঁৰাৰ পিঠিত উঠিবলৈ ধৰোঁতেই চন্দ্ৰবৰ্মাই সুবাহুক চিঞৰি ক'লে, "সুবাহু, আৰু মুহূৰ্তমানো পলম নকৰিবা, বাধা দিবলৈ আহিলেই লগে লগে তাক কাটি পেলাই গুচি আহিবা।" ইতিমধ্যে সৰ্পসৈন্য তিনিটা-মানে ঘোঁৰাত উঠি চেঁকুৰ ল'লে। দুৱাৰৰ সমুখত পৰ দি ৰৈ থকাকেইটাই চিঞৰি চিঞৰি চন্দ্ৰবৰ্মাক ক'লে, "ৰ'বা! ৰ'বা—নোৰোৱা যদি একদম জান খতম্ কৰি দিম বাপেৰে।"

"কাৰ জান কোনে খতম্ কৰে—দেখা যাব।" এই বুলি চিঞৰি কৈ, সুবাহুৱে ঘচংকৈ এটাৰ মূৰ কাটি পেলালে।

চন্দ্ৰবৰ্মাই আক্ৰমণ কৰা আন এটা



সৰ্পসৈন্যই মাটিতে শুই দিলে আৰু কথামপি ৰক্ষা পৰিলে। আৰু এই ছেগতে যুৱৰাজ চন্দ্ৰবৰ্মা আৰু সুবাহু দুৱাৰ পাৰ হৈ গুচি গ'ল।

কিন্তু সৰ্পকেতুৰ সৈন্যহঁতো এৰা বিধৰ ভকত নাছিল। সিহঁতো বিজুলী গতিৰে ঘোঁৰা চেকুৰাই যুৱৰাজ চন্দ্ৰবৰ্মা আৰু মগনিয়াৰৰূপী সেই সুবাহুক ধৰিবলৈ পিছ খেদি গৈছিল।

সুবাহুৱে চন্দ্ৰবৰ্মাক ক'লে, "যুৱৰাজ, আমি এতিয়া আমাক খেদি অহা সেই সৈন্য চাৰিটাক খতম্ কৰোঁ আহক। কিয়নো, ইহঁত চাৰিটাই একোপধ্যে আমাৰ পিছ নেৰিব বুলিয়েই মোৰ বোধ হৈছে।"

চন্দ্ৰবৰ্মাই ক'লে, "কিন্তু এই মুহূৰ্তত ৰৈ দিয়াটো উচিত নহ'ব। আমি যে নগৰ এৰি ওলাই আহিছোঁ, সৰ্পকেতুৱে নিশ্চয় জানিলেই। সি যে আমাক ধৰিবলৈ অসংখ্য সৈন্য পঠোৱা নাই— কোনে ক'ব? তাতকৈ বৰঞ্চ—সৌ যে পাহাৰ দেখা পাইছা—তালৈকে যাব পাৰিলে এই চাৰিটাক খতম্ কৰাৰ এটা আঁচনি ল'ব পাৰিম। তেতিয়া সিহঁতক মানে—এই সৈন্যহঁতক যুদ্ধ কৰি বা কৌশলেৰে মাৰি পেলোৱাটো আমাৰ পক্ষে বৰ টান কাম নহ'ব।"

চন্দ্ৰবৰ্মাৰ কথা নৌ শেষ হওঁতেই কাঁড় এপাট চন্দ্ৰবৰ্মাৰ কাণ চুই সুবাহুৰ কাষতে মাটিত বিন্ধিলেগৈ।

চন্দ্ৰবৰ্মাই জাঁপ মাৰি উঠি চিঞৰি দিলে, "সুবাহু! সুবাহু!"

"মই এতিয়াও জীয়াই আছোঁ, যুৱৰাজ!" এই বুলি কৈ, ঘোঁৰাৰ পিঠিত উঠি আগে আগে গৈ থকা সুবাহুৱে চন্দ্ৰবৰ্মালৈ ঘূৰি চালে।

শত্ৰুসৈন্য এটাই তাক কঁড়িয়াবলৈ চেষ্টা কৰি থকা লক্ষ্য কৰিলে সি। কিন্তু হঠাৎ সেই শত্ৰুসৈন্যৰ ঘোঁৰাটো উজুটি



খাই বাগৰি পৰিল আৰু লগে লগে আহি থকা ঘোঁৰাটাও বাগৰি পৰা ঘোঁৰাটোৰ গাত খুন্দা খাই—গৰাকীৰে সৈতে পাহাৰৰ গভীৰ খাদলৈ বাগৰি পৰি নোহোৰা হৈ গ'ল। কিন্তু পিছে পিছে আহি থকা আন তিনিটা অশ্বাৰোহী শত্রুসৈন্যই—কোন পৰিল কোন মৰিল তালৈ ঘূৰিও নাচাই আগুৱাই গ'ল যুৱৰাজ চন্দ্ৰবৰ্মা আৰু বিশ্বাসঘাতক মগনিয়াৰ সুবাহুক ধৰিবলৈ।

ঘটনা দেখি সুবাহুৱে ভালেই পালে। খাদলৈ বাগৰি পৰা সৈন্যটোক বাদবাকী সৈন্য তিনিটাই নিশ্চয় বিচাৰি উলিয়াবলৈ চেষ্টা কৰিব বুলি সুবাহুৱে ভাবিলে। কিন্তু সিহঁতে তালৈ এটিবাৰলৈকো আনকি ঘূৰিও নাচালে।

সিহঁতৰ মাজত থকা কাঁড় চলাব পৰা একমাত্ৰ সৈন্যটো মৰাত সুবাহুৰ মনত আশাৰ সঞ্চাৰ হ'ল।

সুবাহুৱে চন্দ্ৰবৰ্মাক ক'লে, "যুৱৰাজ, ইহঁতকেইটাৰ মাজত থকা একমাত্ৰ কাঁড়ী সৈন্যটো মৰিল। সেই তিনিটাৰ কঁকালত কেৱল তৰোৱালহে আছে, আন একো অস্ত্ৰ নাই। এই মুহূৰ্তত আমি যদি সিহঁতক আক্ৰমণ কৰোঁগৈ সিহঁতক আমি হেলাৰঙে মাৰি পেলাব পাৰিম নিশ্চয়।"

চন্দ্ৰবৰ্মাই পিছফাললৈ ঘূৰি চালে। শত্রুসৈন্য তিনিটাই বেগাই আহিব ধৰিছে। এই তিনিটাক আক্ৰমণ কৰাটো মুঠেই টান কাম নহয়।

কিন্তু—কিন্তু এটা কথা, সিহঁতৰ পিছে পিছে যে আৰু শত্রুসৈন্য আহি থকা নাই তাৰ নিশ্চয়তানো কি? তেতিয়া ঘটনাৰ পৰিণতি বৰ বেয়া হ'ব।

তথাপি চন্দ্ৰবৰ্মাই তেওঁৰ ঘোঁৰাটোক ৰখালে। আৰু সুবাহুও তেওঁৰ ওচৰত ৰৈ দিলেহি। লগে লগে শত্রুসৈন্য তিনিটায়ো ৰৈ গ'ল আৰু সিহঁতে কিবা যেন পৰামৰ্শ কৰি থাকিল।

ঘোঁৰা চেকুৰাই দিলে।

শত্রুপক্ষৰ সৈন্য তিনিটাই ইমানপৰে চন্দ্ৰবৰ্মা আৰু সুবাহুক পলাই যাবলৈহে দেখি আছিল ; কিন্তু এতিয়া সিহঁতৰ পিনে আগুৱাবলৈ ধৰা দেখি, ভয় খাই সিহঁতো ঘোঁৰাত উঠি নগৰমুৱা হ'ল। এইদৰে বহুপৰলৈকে গৈ থকাৰ অন্ততো চন্দ্ৰবৰ্মা আৰু সুবাহুৱে শত্রুসৈন্য তিনিটাক ধৰিব নোৱাৰিলে। তেতিয়া চন্দ্ৰবৰ্মাই ভাবিলেঃ সিহঁতক ধৰিবলৈ আগবাঢ়ি গৈ গৈ আমি যদি পুনৰ নগৰৰ সীমা পাওঁগৈ, তেনেহ'লে দেখোন কথা হিতে বিপৰীতহে হ'বগৈ। —এইবোৰ সাত-পাঁচ ভাবি, চন্দ্ৰবৰ্মাই সুবাহুক ক'লে, "সুবাহু, সেই তিনিটা ধূৰ্তৰ মতলব ঠাৱৰ কৰিব পাৰিছানে? সিহঁতে কৌশলেৰে আমাক নগৰৰ সীমালৈ লৈ যাব খুজিছে। তাত নিশ্চয় ইহঁতৰ লগৰীয়াহঁত আমাৰ কাৰণে জোপ লৈ বৈ আছে। আমি আৰু কিছুদূৰলৈ আগুৱাই গ'লেই চাগৈ ইহঁতৰ কবলত পৰিম। সিহঁতে আমাক আগুৰি ধৰিব, কচুকটা দিব। তাতকৈ—আমি ইয়াৰেপৰাই উভতি যাওঁগৈ ব'লা। নগৰলৈ বুলি আৰু আগ নাবাঢ়োঁ।"

চন্দ্ৰবৰ্মা আৰু সুবাহুৱে পুনৰ ওভোতা বাট ল'লে। কিছুদূৰলৈ যোৱাৰ পাছত

"যুৱৰাজ সেই সৈন্য তিনিটাই আমাৰ কাষ চাপিবলৈ সাহস পোৱা নাই। সিহঁত বোধ কৰোঁ অতিপাত ভাগৰি পৰিছে। ঠিক এই মুহূৰ্তত আমি যদি সিহঁতক আক্ৰমণ কৰোঁগৈ, সিহঁত পলাই সাৰিব নোৱাৰিব।" সুবাহুৱে ক'লে।

চন্দ্ৰবৰ্মাই অলপ ভাবি লৈ ক'লে, "ঠিক আছে, ব'লা আমি সিহঁতক আক্ৰমণ কৰোঁগৈ। সিহঁতক আমি অনায়াসেই যমৰ আলহী কৰিব পাৰিম নিশ্চয়। এতিয়া আৰু পলম কৰি লাভ নাই, তেতিয়া আৰু অধিক সংখ্যাত শত্রুসৈন্য আহিব পাৰে।" এই বুলি কৈ চন্দ্ৰবৰ্মাই

তেওঁলোকে সেই শত্ৰুসৈন্য তিনিটাক পুনৰ তেওঁলোকৰ পিছ খেদি আহি থকা দেখা পালে। ভালেখিনি বাট যোৱাৰ পাছত শত্ৰুসৈন্য তিনিটা আৰু ওচৰহে চাপিল। সিহঁতে মন কৰিলেই সিহঁতৰ ঘোঁৰাবিলাকৰ গতিবেগ বঢ়াই তেওঁলোকক ধৰিবহি পাৰে।

বহুতোপৰলৈকে ঘোঁৰা চেকুৰাই ভাগৰি পৰি সুবাহুৱে চন্দ্ৰবৰ্মাক ক'লে, "যুৱৰাজ, আমি শত্ৰুৰ ফান্দত সোমাই পৰা যেন পাইছোঁ।"

কিন্তু চন্দ্ৰবৰ্মাই সুবাহুৰ কথাৰ উত্তৰ নিদিলে। তেওঁ সুবাহুক ইংগিতেৰে ক'লে তেওঁক অনুসৰণ কৰিবলৈ।

পলাই যোৱা আৰু খেদি যোৱা—দুয়োপক্ষৰ মাজত কোনো পক্ষয়েই নাজানে যে এতিয়া কোন ঠাইত আছে সিহঁত। বন-জংগল পাৰ হৈ চন্দ্ৰবৰ্মা আৰু সুবাহুৰ ঘোঁৰা দুটা আগুৱাই গৈছে। কেতিয়াবা টিলা বগাই উঠিছে, কেতিয়াবা তললৈ নামিছে। দুৰ্গম বাটেৰে একেৰাহে গৈ গৈ তেওঁলোকৰ সেই ঘোঁৰাবিলাকো ভাগৰি পৰিছে।

এইইদৰে বহুপৰলৈকে গৈ থকাৰ অন্তত চন্দ্ৰবৰ্মাই ঘূৰি চালে। চায়েই তেওঁ উচপ খাই উঠিল। তেওঁলোকৰ



পিছত এতিয়া আৰু সেই তিনিটায়েই নহয়, আন দহ-বাৰটামান অশ্বাৰোহী সৈন্যও চকুত পৰিল তেওঁৰ।

"সুবাহু, আমাৰ ঘোঁৰাবিলাক বৰ ক্লান্ত হৈ পৰিছে। ইহঁত এতিয়াই বাগৰি পৰিব পাৰে। গতিকে, ইহঁতৰ ওপৰত বৰ বেছি নিৰ্ভৰ কৰাটো উচিত নহ'ব। বৰঞ্চ আমি ইহঁতক ইয়াতে এৰি দি খোজ কাঢ়ি গৈ ক'ৰবাত লুকালে ভাল হ'ব কিজানি।" এই বুলি কৈ চন্দ্ৰবৰ্মা ঘোঁৰ পিঠিৰপৰা নমাৰ লগে লগে সুবাহুও নামিল।

শত্ৰুসৈন্য তিনিটায়ো ঘোঁৰাৰ পিঠিৰপৰা

নামি আহি চন্দ্রবৰ্মা আৰু সুবাহুক অনুসৰণ কৰিবলৈ ধৰিলে। এইদৰে লুকাভাকু কৰি কৰি, কেতিয়াবা পাহাৰ বগাই, কেতিয়াবা গছৰ ডালত ধৰি জঁপিয়াই, কেতিয়া পাহাৰৰ কেঁকুৰিত অদৃশ্য হৈ চন্দ্রবৰ্মা আৰু সুবাহু গৈ থাকিল—গৈয়েই থাকিল। তাৰ পাছত, এসময়ত তেওঁলোকে তেওঁলোকৰ পিছ-ফালে সৰ্পসৈন্যইঁতৰ মাজত কোনো নথকা দেখি দ্রুতগতিৰে পাহাৰৰপৰা তললৈ নামি যাবলৈ ধৰিলে।

কিন্তু অলপ আঁতৰত হঠাৎ কিছুমান সৰ্পসৈন্যক যেনিবা পাতাল ফালি ওলোৱা দেখি চন্দ্রবৰ্মা আৰু সুবাহু থৰ হৈ ৰ'ল। তেওঁলোকৰ তেতিয়া তলে শিল, ওপৰে কিল। ইপিনে বাঘ, সিপিনে বনৰজা। এতিয়া কি উপায়?

সেই তিনিটা শত্রুসৈন্যৰ মাজত এটাই চিঞৰি কৈ উঠিল, "সিহঁতৰ পিছ খেদিব নালাগে আৰু। সৌ তাত ভয়ংকৰ জলপ্ৰবাহ আছে। কেনেবাকৈ তাত পিছল খাই পৰিলে আৰু ৰক্ষা নাই, পানীত ডুবি নিৰ্ঘাৎ মৃত্যু। তাতকৈ সিহঁত দুটাক আমি ইয়াৰেপৰাই ডাঙৰ শিল এচটা বগৰাই সেই ভয়ংকৰ জল-প্ৰবাহলৈ নেপেলাওঁ কিয়?"

এই বুলি কৈ সিহঁত শত্রুসৈন্য তিনিটাই চন্দ্রবৰ্মা আৰু সুবাহুলৈ লক্ষ্য কৰি চটাচটে শিল বগৰাবলৈ ধৰিলে।

চন্দ্রবৰ্মাই স্থিৰভাৱে সুবাহুক ক'লে, "সুবাহু, আমাৰ আগত এতিয়া মাত্র এটাহে উপায় আছে। এই ভয়ংকৰ কোবাল নৈখন যেনেকৈয়েই নহওক সাঁতুৰি পাৰ হ'ব লাগিব।" এই বুলি কৈ, যুৱৰাজ চন্দ্রবৰ্মাই গৰ্জনশীল ফেনে-ফোটোকাৰে বৈ যোৱা সেই নৈৰ পিনে খোজ ল'লে। সুবাহু চন্দ্রবৰ্মাৰ পিছে পিছে মন্ত্ৰমুগ্ধৰ দৰে গৈ থাকিল। [অহা সংখ্যাত





দূৰদৃষ্টি

প্রতিজ্ঞাবদ্ধ বিক্রমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল, শ'টো নমাই ল'লে, আৰু নীৰৱে-নিমাতে পুনৰ শ্মশানমুৱা হ'ল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তোমাৰ এই অপৰিমেয় শ্রম অতুলনীয়। কিন্তু কিহৰ বাবেনো এই শ্রম? সা-সম্পদ? যশ-খ্যাতি? একেলগে এই দুটা পোৱা অসম্ভৱ। দূৰদৃষ্টি থকাসকলে এই দুটাৰ মাজত এটালৈ প্রচেষ্টা চলায়। কিয়নো একেলগে দুটালৈ চেষ্টা চলাই এটাকো আয়ত্ত কৰিব নোৱাৰিলে হাঁহিয়াতৰ পাত্র হোৱাৰ যথেষ্ট আশংকা বিদ্যমান। এই প্রসংগত মই তোমাক দুগৰাকী কবিৰ কাহিনী কওঁ শুনা। এই কবি-কাহিনী শুনি শুনি গৈ থাকিলে আন নহ'লেও তোমাৰ পথৰ শ্রম নিশ্চয় কথঞ্চিত লাঘৱ

'বেতাল-কথা'



হ'ব।" এই বুলি মন্তব্য কৰি বেতালে ক'বলৈ ধৰিলে ঃ

এসময়ত প্ৰসন্ন নামৰ এগৰাকী কবি আছিল। তেওঁ তেওঁৰ কাব্যপ্ৰতিভাৰ পৰিচয় দান কৰি ৰজাৰ আশ্ৰয়ত থকাৰ সুযোগ বিচাৰি পাটলিপুত্ৰ নগৰলৈ গ'ল। তেতিয়াৰ পাটলিপুত্ৰৰ মহাৰজা মহাসাৰ সাহিত্য-অনুৰাগী ৰূপে খ্যাত আছিল। কবি প্ৰসন্নই ৰজাৰ দৰ্শনলাভ কৰিবলৈ বহু চেষ্টা কৰিও ব্যৰ্থ হৈ নিজৰ দুখৰ কথা সেই দেশৰ এজন ডাঙৰ ৰত্ন ব্যৱসায়ীক ক'লে।

এই ৰত্ন-ব্যৱসায়ী ৰতনমল্লিকে কবি প্ৰসন্নৰ দুখৰ কথা শুনি ক'লে, "ভাই মই হ'লোঁ জহৰী। মণি-মুকুতাৰ বিষয়ে সুধিলে মই অলপ-অচৰপ কিবা ক'ব পাৰোঁ। কিন্তু মোৰ অলপো কাব্যজ্ঞান নাই। আৰু, ৰজাৰ লগত সাক্ষাৎ কৰোৱাৰ ক্ষমতাও মোৰ নাই। পিছে—ৰাজপ্ৰহৰী-হঁতক ভেটি খুৱালে কিজানি তোমাৰ মনৰ বাসনা পূৰ্ণ হ'ব পাৰে।"

এই কথা শুনি, ক্ষুব্ধ অভিমানী প্ৰসন্নই তৎক্ষণাৎ এটি কবিতা লিখি এই ব্যৱসায়ীক শুনালে। কবিতাটিৰ মৰ্মাৰ্থ আছিল এয়ে যে—যিজন ৰজাৰ কাষ চাপিবলৈ প্ৰহৰীক ভেটি খুৱাব লাগে, সেইজন ৰজাৰ কাষ নচপাই ভাল।

এই কবিতাৰ ভাল-বেয়া ৰত্ন ব্যৱসায়ী ৰতনমল্লিকে বুজক-নুবুজক, অলপমান আগতে দোকানলৈ অহা মানুহজনে কিন্তু কিন্তু ভালেকৈয়েই বুজি পাইছিল। এই মানুহজন আছিল ৰাজসভাৰ অন্যতম কবি দেৱীদাস। কেৱল কবি হিচাপেই নহয়, পাটলিপুত্ৰৰ এগৰাকী গণ্য-মান্য পণ্ডিত ব্যক্তি হিচাপেও তেওঁৰ যথেষ্ট নাম-ডাক আছিল।

ৰতনমল্লিকে ৰাজকবি দেৱীদাসক সসম্মানে বহিবলৈ দিলে। দেৱীদাসে ইংগিতেৰে ৰতনমল্লিকক ক'লে তেওঁৰ

চিনাকি এই নতুন কবিজনক নিদিবলৈ। তাৰ পাছত দেৱীদাসে প্ৰসন্নক ক'লে, "আপুনি বাৰু কবিনে কি? আপোনাৰ কথাই-বাৰ্তাই, আচাৰ-আচৰণত কবি-পৰিচয় স্ফুৰিত হৈছে। ৰজাৰ দৰ্শন পাবলৈ হ'লে ৰাজপ্ৰহৰীহঁতৰ ওপৰত নিৰ্ভৰ নকৰি আন কোনোবা কবিৰ ওপৰত নিৰ্ভৰ কৰাটো উচিত হ'ব কিজানি আপোনাৰ পক্ষে।"

দেৱীদাসৰ পৰামৰ্শ শুনি প্ৰসন্নই আন এটা কবিতা শুনালে। এই কবিতাটিৰ সাৰকথা হ'লঃ মোৰ কবিতা ইমানেই উচ্চমানৰ যে কোনোবা সভাকবিয়ে ৰজাৰ সৈতে মোৰ সাক্ষাৎ হোৱাটো নিবিচাৰিব। কিয়নো, ৰজাই মোৰ কবিতা শুনাৰ পাছত তেওঁ ইমানদিন ধৰি শুনি থকা কবিতাসমূহক অৰ্থহীন কবিতা বুলিহে ভাবিব। গতিকে—কোনো ৰাজ-কবিয়ে মোক ৰজাৰ ওচৰলৈ যোৱাৰ সুবিধা কৰি নিদিয়ে এই কথাত মই নিশ্চিন্ত।"

দেৱীদাসে এই কবিতাটিক শলাগি ক'লে, "আপোনাৰ কবিতা প্ৰকৃততেই উচ্চমানসম্পন্ন। পিছে—ৰাজকবিসকলৰ সম্পৰ্কে আপোনাৰ মনত কোনোবাই কিজানি বেয়া ধাৰণাৰ সৃষ্টি কৰিছে। যি কি নওক, আপোনাক মই ৰজাৰ ওচৰলৈ লৈ যাম।" এই বুলি কৈ দেৱীদাসে কবি প্ৰসন্নৰ ওচৰত তেতিয়া আত্মপৰিচয় দাঙি ধৰিলে।

দেৱীদাসৰ পৰিচয় জানি প্ৰসন্নই লাজ পাই ক'লে, "আপোনাক সমূলি চিনি নাপাই আপোনাৰ আগত মই বহুতো কিবাকিবি কৈ পেলালোঁ। মই আপোনাক মোৰ কাব্যগুৰু ৰূপে মনে-চিতে মানি লৈছোঁ।"

"কবিতাত অতিশয়োক্তি অলপমান থাকিবই।" এই বুলি মন্তব্য কৰি, দেৱীদাসে প্ৰসন্নক মহাৰাজ মহাসাৰৰ ওচৰলৈ লৈ গ'ল। কবি দেৱীদাসে

আনুপূৰ্বিক ঘটনাৰ কথা কৈ ৰজাৰ সৈতে প্ৰসন্নক চিনাকি কৰাই দিলে।

মহাৰাজ মহাসাৰে সানন্দে ক'লে, "দেৱীদাসে আপোনাৰ শলাগ লৈছে যেতিয়া—আপুনি যে উচ্চমানৰ কবি সেই কথাত সন্দেহ নাই। আপোনাক মই আজিৰেপৰাই সভাকবি হিচাপে ল'লোঁ।"

মহাৰাজ মহাসাৰৰ সভাকবি ৰূপে কবি প্ৰসন্নই যথেষ্ট খ্যাতি আৰ্জিছিল। দেৱীদাসৰ পৰৱৰ্তী হিচাপে সকলোটিয়েই তেওঁৰ নাম লৈছিল।

কিছুকালৰ অন্তত, এই দেশৰ প্ৰজাসকলৰ মাজত শৈৱ, বৈষ্ণৱ, বৌদ্ধ আৰু জৈন—এই চাৰিও মতাৱলম্বী সম্প্ৰদায়ৰ মাজত বিৰাট মত-পাৰ্থক্যই দেখা দিলে। ৰজা মহাসাৰে বহু চেষ্টাতো এওঁলোকৰ মাজত ঐক্যভাৱ ঘূৰাই আনিব নোৱাৰিলে। তেতিয়া মহামন্ত্ৰীয়ে মহাৰাজ মহাসাৰক ক'লে, "মহাৰাজ, এই বিষয়ত উচ্চশ্ৰেণীৰ কিন্তু সহজবোধ্য পুস্তক জনসাধাৰণক দিব পাৰিলে বোধকৰোঁ কিছু সুফল হ'ব। বেদত লিখিত আছে যে পৰমাত্মা এক আৰু অভিন্ন। শৈৱ বৈষ্ণৱ, বৌদ্ধ আৰু জৈনসকলো পৰমাত্মাত বিশ্বাসী। এতেকে—সহজবোধ্য ভাষাত বেদৰ সাৰকথা লিপিবদ্ধ কৰিব পাৰিলে দেশৰপৰা এই প্ৰকট অনৈক্য ভাৱ স্থায়ীভাৱে বিদূৰিত হোৱাৰ আশা কৰিব পাৰি।"



ৰজাই মন্ত্ৰীৰ বক্তব্য মানি লৈ এই কাৰ্য্য সম্পন্ন কৰিবলৈ ৰাজকবি তথা পণ্ডিতপ্ৰবৰ দেৱীদাসৰ নাম উল্লেখ কৰোঁতেই মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, আমাৰ প্ৰসন্ন কবিও যথেষ্ট পণ্ডিত বুলি শুনিছোঁ। এই কাৰ্য্যত তেওঁকো সাঙুৰি লোৱা ভাল। সহজবোধ্য ভাষাত বেদৰ সাৰকথা ৰচনা কৰাৰ দায়িত্ব দুয়োগৰাকী পণ্ডিতক দিলেহে ভাল হ'ব।"

মন্ত্ৰীৰ পৰামৰ্শমতে ৰজাই দুয়োগৰাকী কবিক বেদৰ সাৰকথা লিখিবলৈ ক'লে সহজবোধ্য ভাষাত।

ৰজাৰ কথা শুনি প্ৰসন্নই ক'লে, "সহজ-সৰল ভাষাত বেদৰ সাৰকথা লিখিবলৈ হ'লে বেদ সম্পৰ্কে সুস্পষ্ট জ্ঞান থকা আৱশ্যক। এই বিষয়ত প্ৰখ্যাতনামা পণ্ডিতসকলৰ সৈতে আলোচনা তথা পৰামৰ্শ কৰাৰ অন্ততহে এই কাম কৰা উচিত।"

ৰজাৰ কথাৰ উত্তৰত দেৱীদাসে ক'লে, "মহাৰাজ, এই কাম কৰিবলৈ কাৰোবাৰ-পৰা কোনো বিধৰ সহায় মোক নালাগে। পিছে তিনিমাহ সময়ৰ আৱশ্যক হ'ব।"

ৰজাই ক'লে, "আপোনালোকৰ মাজত যিজনে প্ৰথমে এই কাৰ্য্য সম্পূৰ্ণ কৰিব পাৰিব, তেওঁক ৰাজকোষৰপৰা এলাখ মুদ্ৰা পুৰস্কাৰ দিয়া হ'ব।"

দেৱীদাস আছিল সংস্কৃত ভাষাত





সুপণ্ডিত। যিকোনো কঠিন সংস্কৃত গ্ৰন্থ তেওঁ অনায়াসে অনুধাৱন কৰিব পাৰিছিল। তাৰ ফলত, নিৰ্দ্ধাৰিত সময়ৰ এপষৰ আগতেই দেৱীদাসৰ কাম সম্পাদিত হৈ গ'ল।

কিন্তু প্ৰসন্ন সিমান সংস্কৃতজ্ঞ নাছিল। তেওঁ অন্যান্য বেদজ্ঞ পণ্ডিত লোকৰ সহায় লৈ, ৰজাৰ নিৰ্দেশ অনুসাৰে, ঠিক তিনিমাহৰ মূৰকত এই কাম সম্পন্ন কৰিলে।

প্ৰসন্নৰ কাম কিমানখিনিলৈ আগ বাঢ়িছে—দেৱীদাসে আনৰ যোগেদি সেই খবৰ পাইছিল। তেওঁৰ নিজৰ কাম যে ইমান দিনৰ আগতে হৈ যাব, তেওঁ ভবাই নাছিল। প্ৰসন্নৰ আগতে তেওঁৰ নিজৰ ৰচনা ৰজাক দিয়াৰ ইচ্ছাও তেওঁৰ নাছিল। প্ৰসন্নৰ ৰচনা শেষ হোৱালৈকে তেওঁ অপেক্ষা কৰিবলৈ ধৰিলে।

তাৰ পাছত, প্ৰসন্ন আৰু দেৱীদাস একেলগে ৰজাৰ ওচৰলৈ গ'ল। দেৱীদাসে ৰজাক ক'লে, "মহাৰাজ, মোৰ আৰু প্ৰসন্নৰ ৰচনা একেসময়তে শেষ হ'ল। শ্ৰেষ্ঠ ৰচকে পুৰস্কাৰ পাওক—এয়ে মোৰ আন্তৰিক ইচ্ছা।"

দেৱীদাসৰ কথা শুনি ৰজা বিপাঙত পৰিল। ইমান দিন ধৰি এইবোৰ কথাৰ বিচাৰ দেৱীদাসকহে তেওঁ কৰিবলৈ দিছিল। এতিয়া—দেৱীদাসৰ পাণ্ডুলিপিৰ বিচাৰ কোনে কৰে?

ঠিক সেই সময়ত পাটলিপুত্ৰলৈ চিৰঞ্জীৱ নামৰ এগৰাকী মহাপণ্ডিত আহিল। ৰজা মহাসাৰে তেওঁক সানন্দে আহ্বান জনাই দুয়োজনৰ পাণ্ডুলিপিৰ শ্ৰেষ্ঠত্বৰ বিচাৰৰ দায়িত্ব তেওঁৰ ওপৰত অৰ্পিলে।

চিৰঞ্জীৱে পাণ্ডুলিপি পৰীক্ষা কৰাৰ অন্তত দুয়োজনৰে ৰচনা উৎকৃষ্ট বুলি কৈ, দুয়োজনকে পুৰস্কৃত কৰিবলৈ ক'লে।

এই কথা শুনি দেৱীদাসে ৰজাক ক'লে, "মোৰ ৰচনাত দক্ষতাৰ প্ৰতিফলন ঘটিলনে নাই সেয়ে হ'ল বিচাৰ্য্য বিষয়।



এই কাৰণতে মোৰ ৰচনা বহু আগতে সমাপ্ত হোৱা সত্বেও মই বহুদিনলৈকে অপেক্ষা কৰিছিলোঁ। যি কি নহওক—কাৰ ৰচনা সহজবোধ্য হ'ল—সেই কথা স্পষ্টকৈ জানিব পাৰিলেহে মই ভাল পালোহেঁতেন।"

চিৰঞ্জীৱে দেৱীদাসক ক'লে, "ইমান সহজবোধ্য ভাষাত ইমান কম দিনতে আপুনি অকলেই—কাৰো সহায় নোলোৱাকৈ যদি বেদসাৰ ৰচনা কৰিছিল, তেনেহ'লে আপুনি অসাধ্যসাধন কৰিছিল বুলি ক'ব লাগিব।"

চিৰঞ্জীৱৰ কথাৰ উত্তৰত দেৱীদাসে ক'লে, "এনে ধৰণৰ কাম ঢেৰ কৰিলোঁ। ইয়াৰ আগতে এবছৰত মহাভাৰত, দুবছৰত অষ্টাদশ পুৰাণ অনুবাদ কৰিলোঁ।"

মহাৰাজ মহাসাৰেও কবি দেৱীদাসৰ এইবোৰ কামৰ সপ্ৰশংস উল্লেখ কৰিলে। তেতিয়া চিৰঞ্জীৱে ৰজাক সুধিলে, "মহাৰাজ, কবি দেৱীদাসে যিহেতু প্ৰসন্ন কবিতকৈ এপথৰ আগতে ৰচনা সমাপ্ত কৰিছিল, সিহেতুকে—আপোনাৰ পূৰ্ব ঘোষণা অনুসাৰে একলাখ মুদ্ৰা দেৱীদাস কবিকহে দিয়া উচিত আছিল। কিয় নিদিলে, মহাৰাজ?"

দেৱীদাসে ক'লে, "হে মহাপণ্ডিত চিৰঞ্জীৱ, সোনকালে ৰচনা সমাপ্ত কৰাৰ কৃতিত্বতকৈ ৰচনাৰ উৎকৰ্ষতাৰ বাবে পুৰস্কাৰ অধিক কাম্য।"

চিৰঞ্জীৱে প্ৰসন্নক ক'লে, "কবি প্ৰসন্ন, এই বিষয়ত আপোনাৰ যদি কিবা বক্তব্য আছে কওক।"

"হে পণ্ডিতশ্ৰেষ্ঠ চিৰঞ্জীৱ, অগ্ৰজ দেৱীদাস কেৱল কবি হিচাপেই নহয়, পণ্ডিত হিচাপেও তেওঁ সুপ্ৰতিষ্ঠিত। সকলোফালৰেপৰাই মই তেওঁতকৈ তাকৰ জ্ঞানসম্পন্ন। মোৰ ওচৰত পুৰস্কাৰৰ কথা ডাঙৰ নাছিল, ডাঙৰ আছিল কামটো সহজভাৱে সুসম্পন্ন কৰাটোহে। মই

দেৱীদাসৰ সমকক্ষ হোৱাৰ আশা কৰা নাছিলো, নকৰোঁও। তেওঁ মোৰ গুৰু।" প্ৰসন্নই ক'লে।

উভয় কবিৰ বক্তব্য শুনাৰ পাছত পণ্ডিত চিৰঞ্জীৱে প্ৰসন্নক পুৰস্কাৰ দিবলৈ মহাৰাজ মহাসাৰক পৰামৰ্শ দিলে আৰু মহাৰজাই প্ৰসন্নকে পুৰস্কাৰ দিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে পুনৰ বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, মহাপণ্ডিত চিৰঞ্জীৱৰ বিচাৰ ঠিক হ'লনে? চিৰঞ্জীৱে পক্ষপাতিত্ব প্ৰদৰ্শন কৰা নাছিলনে? প্ৰসন্নতকৈ দেৱীদাসৰ পাণ্ডিত্যৰ মানদণ্ড ঢেৰ উচ্চ হোৱা সত্বেও প্ৰসন্নক পুৰস্কাৰ দিয়া হ'ল কিয়? মোৰ এই প্ৰশ্নৰ উত্তৰ জনা সত্বেও যদি সঠিককৈ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফালে হ'ব, এই কথা ধুৰুপ।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "কবি তথা পণ্ডিত হিচাপে দেৱীদাস যে প্ৰসন্নতকৈ শ্ৰেষ্ঠ, সেই কথাত সন্দেহ নাই। কিন্তু প্ৰতিযোগী হিচাপে দুয়ো সমান, গতিকে—এই প্ৰতিযোগিতাৰ ক্ষেত্ৰত ব্যক্তি নহয়, কাব্যৰ উৎকৰ্ষতা হ'ল ডাঙৰ কথা। দেৱীদাসে পণ্ডিত চিৰঞ্জীৱক কোৱা কথাত যথেষ্ট অহংকাৰ প্ৰকাশিত হৈছিল। অহংকাৰ হ'ল পতনৰ মূল। কেনেকৈ কি বিচাৰ কৰিব লাগিব, দেৱীদাসে বিচাৰক চিৰঞ্জীৱক সেই কথাও কৈ দিলে। দেৱীদাসৰ মাজত যশ প্ৰাপ্তিৰ আকাংক্ষাৰ লগত ধনপ্ৰাপ্তিৰ আশাও আছিল সমানেই প্ৰবল। আনহাতে, প্ৰসন্নৰ মাজত এইবোৰ দোষ নাছিল। এইবোৰ বিভিন্ন কথা বিচাৰ কৰি চিৰঞ্জীৱে প্ৰসন্নক পুৰস্কাৰ দিবলৈ ৰজাক পৰামৰ্শ দিলে।"

ৰজা বিক্ৰমাদিত্যই এই উত্তৰ দিয়াৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

বাস্তৱ আৰু কল্পনা

হৰকান্ত আৰু নৰঘণ্ট আছিল নলেগলে লগা বন্ধু। কি দেখনে-দৰ্পণে কি কহনে-বহণে দুয়ো মিলি যেন দুয়ে দুয়ে এক। কিন্তু স্বভাৱত দুয়ো আছিল একেবাৰে বিপৰীত। হৰকান্ত আছিল অতি শান্ত, স্থিৰ। আৰু নৰঘণ্ট বৰ চঞ্চল আৰু দুৰ্মুখ। হৰকান্তই সদায় তাৰ বন্ধু-বান্ধৱৰ সৈতে হাঁহি-ধেমালি কৰিছিল।

এদিন নৰঘণ্টৰ ঘৰত নিমন্ত্ৰিত হৈ কিছুমান মানুহ আহিল। নিমন্ত্ৰিতইঁতৰ মাজত এজনৰ নাম আছিল নীলকণ্ঠ। নীলকণ্ঠও নৰঘণ্টৰ দৰে চঞ্চল আৰু দুৰ্মুখ আছিল। সি যিকোনো মানুহক যেতিয়াই তেতিয়াই যিকোনো কথা ক'ব পাৰিছিল —ভালেই হওক বা বেয়া। নৰঘণ্টৰ সৈতে নীলকণ্ঠই কিবা এটা বিষয়ত কথা পাতি থকাৰ নিমন্ত্ৰিত হৰকান্তই মন কৰিলে। ঘটনা তেনেই সাধাৰণ। কিন্তু এই দৃশ্য দেখি হৰকান্ত অলপ আচৰিত হ'ল। কিয়নো, দুয়ো বৰ ধীৰে-সুস্থিৰে কথা পাতি আছে! আগতে—এই দুজনৰ কথা মানেই আছিল কাজিয়া। তেতিয়া হৰকান্তই দুয়োকো বাৰাণ্ডাত নি ঠাণ্ডা কৰিবলগীয়া হৈছিল। আজি কিন্তু কথা একেবাৰে বেলেগ। দুয়ো আনন্দিত মনেৰে শান্তভাৱে বন্ধুৰ দৰে কথা পাতি থকা দেখি হৰকান্ত একেবাৰে অবাক তথা হতবাক হ'ল।

নীলকণ্ঠই নৰঘণ্টক তেতিয়া কৈ আছিল: "তোমাৰ আমন্ত্ৰণ বাবে ধন্যবাদ। তুমি দেখোন বিৰাট আয়োজন কৰিছা। এই বছৰ তোমাৰ খেতিবাতি

নিবেদন চক্ৰৱৰ্তী

"তোমাৰ কথাৰ অৰ্থ কি? মোৰ কুদৃষ্টিয়ে তোমাৰ খেতিখোলা বেয়া কৰিলেনেকি?" নৰঘণ্টয়ো খঙতে গোৰ-গোৰাই উঠি ক'লে।

"মই তোমাক তেনেকৈ ক'লোনে? তুমিহে মোক কটাক্ষ কৰি যা-তা ক'লা।" নীলকণ্ঠ কক্‌ককাই উঠিল।

এইদৰে চলি থাকোঁতেই শেহলৈ কাজিয়া আৰম্ভ হৈ গ'ল। সিহঁতৰ কাণ্ড দেখি অন্যান্য আলহীসকলৰ মনৰ আনন্দ লণ্ডভণ্ড হৈ গ'ল। হৰকান্তই ক'লেগৈ "নৰঘণ্ট, মনত ৰাখিবা যে তোমাৰ ঘৰত আমি নিমন্ত্ৰিত। নিমন্ত্ৰিতসকললৈ সন্মান প্ৰদৰ্শন কৰাটো তোমাৰ কৰ্তব্য। হাঁহি ধেমালিতে কথা পাতি আছিলা, তেনেকৈ কথা পাতি থকা। ৰংগ আৰু ৰাগ এক বস্তু নহয়—কথাষাৰ প্ৰচণ্ডভাৱে মনত ৰাখিব লাগে আৰু ৰাখিব লাগিব।"

হৰকান্তৰ হক্ কথা শুনি তাত উপস্থিত থকা আলহীসকলৰ সকলোটিয়েই তাক শলাগিলে।

তেতিয়া অৰণ্যে শান্তি ঘূৰি আহিল; কিন্তু নৰঘণ্টই পাছত হৰকান্তৰ সৈতে মাত-বোল নকৰা হ'ল। হৰকান্তই মাত-বোল কৰাৰ চেষ্টা কৰিলেও নৰঘণ্টই মুখ ঘূৰাই লৈছিল। নৰঘণ্টৰ ঘৈণীয়েকক বেছ ভাল হ'ল, নহয় জানো?"

"নহয় নহয়, তাৰ বাবে নহয়। মোৰ খেতি-বাতিৰ ওপৰত যাতে কাৰোবাৰ কুদৃষ্টি নপৰে তাৰ বাবেহে সকলোকে নিমন্ত্ৰণ কৰি খুৱাইছোঁ।" নীলকণ্ঠৰ প্ৰশ্নৰ উত্তৰত নৰঘণ্টই ক'লে।

নৰঘণ্টৰ কথাই নীলকণ্ঠৰ বুকুত শেল হৈ বিন্ধিলেগৈ। তাৰ খং উঠিল। সি ক'লে, "কুদৃষ্টিক তুমি নিমন্ত্ৰণেৰে গুচাবা কেনেকৈনো? এই জগতৰ কোনো কোনো মানুহৰ দৃষ্টি ইমানেই বেয়া যে কোনো আমন্ত্ৰণ-নিমন্ত্ৰণ-শান্তি-স্বস্ত্যয়নেই সেই বেয়া দৃষ্টি গুচোৱাত গুণ নিদিয়ে।"

ক'লেগৈ, "নবৌ, নৰই মোৰ লগত মাত-বোল নকৰা হ'ল। মই যে কী জগৰ লগালোঁ, ক'ব নোৱাৰোঁ। কথাটো আপুনি বাৰু তাক সুধিবনে?"

"তুমি বোলে আলহীসকলৰ আগত তেওঁক নীতিবচন শুনাই থেকেচিছিলা। তোমাৰ এনে অপমানকৰ আচৰণৰ কথা তেওঁ হেনো জীৱনতো পাহৰিব নোৱাৰিব।" নৰঘণ্টৰ ঘৈণীয়েক নয়নতাৰাই হৰকান্তক ক'লে।

"চাওক নবৌ, আমি দুয়ো প্ৰায় সৰুৰেপৰাই ভাই-ককাইৰ দৰে আছোঁ। মোৰ আচৰণ যদি বেয়া হৈছিল—সি মোক নক'লে কিয়? মোক সি শুধৰাই নিদিলে কিয় কওকচোন?" হৰকান্তই নয়নতাৰাক সুধিলে।

"তেওঁ যে মানুহজন তেনেকুৱা—তুমি জানাই। তুমি আমাৰ ইয়ালৈ আহিছা বুলি শুনিলেও তেওঁৰ চাগৈ খংহে উঠিব, তেওঁক সুবুদ্ধি দিয়াৰ ক্ষমতা যে মোৰ নাই তুমি জানাই।" নয়নতাৰাই ক'লে।

এই ঘটনাৰ সাতদিনৰ পাছত নৰঘণ্টৰ সাতবছৰীয়া ল'ৰাটো বেমাৰত পৰিল। কত বেজ-বৈদ্য আহিল-গ'ল, ল'ৰাটোৰ বেমাৰ ভাল নহ'ল। নানান ধৰণৰ বেমাৰ-আজাৰ ভাল কৰিবপৰা ক্ষমতা

যে হৰকান্তৰো আছে—সেই কথা জনা সত্বেও নৰঘণ্টই তাৰ পৰম বন্ধু হৰকান্তৰ কাষ নাচাপিল।

এনেতে এদিন নৰৰ ঘৰলৈ এজন সাধু আহিল। নৰই সাধুক তাৰ ল'ৰাটোৰ বেমাৰৰ কথা কোৱাত সাধুৱে ল'ৰাটোক পৰীক্ষা কৰি নৰক ক'লে, "শুনা, তোমাৰ দুৰ্বাসা খঙেই তোমাৰ আৰু তোমাৰ পা-পৰিয়ালৰ কাল হ'ল। বোপা—তোমাৰ এই খং নোহোৱা কৰিব পাৰিলেই তোমাৰ ল'ৰাটোৰ বেমাৰো নোহোৱা হ'ব।"

নৰঘণ্টই টপৰাই কৈ উঠিল, "এ—আপোনাক কোনোবাই নিশ্চয় মোৰ



সম্পৰ্কে মিছামিছিকৈ কিবাকিবি ক'লে। সেইবোৰ কথা বাদ দিয়ক, কওক, ল'ৰাটোক কেনেকৈ অতি সোনকালে ভাল কৰি তুলিব পাৰি।"

"শুনা, ইয়াৰপৰা আঠ ক্ৰোশ দূৰত মল্লিকাৰ্জুনৰ মন্দিৰলৈ খোজ কাঢ়ি গৈ তাৰপৰা প্ৰসাদী ফুল লৈ আহিবা আৰু তাৰ পাছত মই দিয়া দৰব খুৱাবা।" সাধুৱে নৰক ক'লে।

"হ'ব, প্ৰভু।" নৰঘণ্টই ক'লে।

"হ'ব বুলি ক'লেই নহ'ব। খোজ কাঢ়ি যে যাবা—ক'তো নৰৈ যাব লাগিব আৰু উভতি আহোঁতেও ক'তো নৰৈ একে উশাহে উভতি আহিব লাগিব। ৰৈছা যদি—গৈছা আৰু। কথাটো বুইছানে?" সাধুৱে নৰঘণ্টক সুধিলে।

নৰই সাধুৰপৰা দৰবৰ পুৰিয়া লৈ পোনে পোনেই মল্লিকাৰ্জুন মন্দিৰলৈ গ'ল আৰু উভতি আহিল।

সাধুৱে নৰক ক'লে, "ইমান সোনকালে সিমান দূৰৰপৰা উভতি আহিলা—কেনেকৈহে? তুমি তালৈ গৈছিলানে বাৰু সঁচাসঁচিকৈ?"

"প্ৰভু, ল'ৰাটো মোৰ। গতিকে গৰজ মোৰেই বেছি।" নৰই সাধুক ইমানকে কৈ ৰ'ল।

"যোৱা-অহাৰ বাটত কাৰো ওপৰত খং উঠিছিলনে তোমাৰ?" সাধুৱে সুধিলে।

"নহয় প্ৰভু নহয়। বাৰু, এতিয়া ল'ৰাটোক দৰব খুৱাওঁনে?" নৰই সাধুক সুধিলে।

"ওহোঁ, এই দৰবে গুণ নিদিব। তুমি অতি স্বাৰ্থপৰ। তোমাৰ স্বাৰ্থপৰতা নাতঁৰালৈকে তোমাৰ ল'ৰাটো ভাল হৈ নুঠিব।" সাধুৱে ক'লে।

"কীযে কয় প্ৰভু! স্বাৰ্থপৰ হোৱাহেঁতেন মোৰ ল'ৰাটোক ভাল কৰি তুলিবলৈ মই ষোল্লক্ৰোশ বাট খোজ কাঢ়িব পাৰিলোহেঁতেননে?" নৰই ক'লে।

"চোৱাঁ, বোপা—ভগৱন্ত হ'ল এটি কাল্পনিক মূৰ্তি। এই কাল্পনিক মূৰ্তিক বিশ্বাস কৰি তুমি ইমান কষ্ট কৰি খোজ কাঢ়ি গৈছা-আহিছা। হয়নে নহয়?" সাধুৱে সুধিলে।

নৰই মূৰ দুপিয়াই 'হয়' বুলি কোৱাত সাধুৱে পুনৰ ক'লে, "নেদেখা ঈশ্বৰ, অচিনাকি সাধু আৰু কাল্পনিক মূৰ্তিতো যদি তুমি ইমানেই ধৈৰ্য্যশীল, তেনেহ'লে --তোমাৰ একান্ত বন্ধু-বান্ধৱৰ প্ৰতি ইমান অধৈৰ্য্য হোৱানো কিয়? কাল্পনিক মূৰ্তিৰ কাষ নচপাকৈ জীয়া মূৰ্তিমন্ত বন্ধুৰ কাষ চপাটো ভাল নাছিলনে?" এই বুলি কৈ সাধুৱে তেওঁৰ নিজৰ দাঢ়ি আৰু-মোচকোচা সোলোকাই পেলালে। স্বয়ং হৰকান্তইহে সাধুৰ ছদ্মবেশ ধাৰণ কৰিছিল।

নৰঘণ্টই অবাক হৈ কৈ উঠিল, "তুমি! তুমিনো কিয় এনেখন ভাওনা পাতিলাহে?"

"কি কৰিম, কোৱাঁ? তুমি মোৰ লগত মাত-বোল বন্ধ কৰিলা। উপায় নাপাই নবৌৰ শৰণ ল'লোঁ। তোমাৰ ল'ৰাটিৰ সহযোগিতাও নথকা নহয়। আচলতে ল'ৰাটো বেমাৰত পৰাই নাই। ইমানবোৰ লণ্ডভণ্ড কাণ্ড কৰাৰ গুৰিত তোমাৰ সৈতে মোৰ বন্ধুত্বৰ সম্পৰ্কক অক্ষুন্ন ৰখাটোহে—আন একোৱেই নহয়।" হৰকান্তই ক'লে।

নৰঘণ্টই নিজৰ ভুল বুজিব পাৰি ক'লে, "তুমি যে কেৱল বন্ধুত্বৰ সম্পৰ্কক অক্ষুণ্ণ ৰখাৰ বাবে ইমানবোৰ কাণ্ড কৰিবা —মই পাষণ্ডই কল্পনাও কৰিব পৰা নাছিলোঁ। যি কি নহওক, মই এতিয়াৰ-পৰা নিজক সংশোধন কৰাৰ বাবে প্ৰচণ্ড চেষ্টা কৰিম।"

এই ঘটনাৰ পাছৰপৰা হৰকান্ত আৰু নৰঘণ্টৰ বন্ধুত্বৰ সম্পৰ্ক আজীৱন অটুট আৰু মধুৰ আছিল।



মদৰ পৰিণাম

ব্ৰহ্মদত্তৰ শাসনকালত বোধিসত্ত্ব এক ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। একুৰি বছৰ বয়সলৈকে বোধিসত্ত্বই অধ্যয়ন কৰি পাণ্ডিত্য অৰ্জন কৰিলে আৰু তেওঁৰ পাণ্ডিত্যৰ খ্যাতি চতুৰ্দিশত বিয়পি পৰিল।

তাৰ পাছত বোধিসত্ত্বৰ পিতৃ-মাতৃয়ে বোধিসত্ত্বৰ বিবাহৰ বাবে যো-জা কৰি থাকিল। কিন্তু তেওঁ বিয়া-বাৰু নকৰাই, পোনে পোনেই হিমালয়লৈ গৈ, তাত আশ্ৰম নিৰ্মাণ কৰি ধ্যানমগ্ন হ'ল।

এবাৰ বোধিসত্ত্ব একেৰাহে চাৰিমাহ ধৰি শ্ৰাৱস্তীত আছিল। বোধিসত্ত্বৰ শিষ্যসকলৰ মাজত এজন আছিল ব্যতিক্ৰম। শিষ্যসকলক লৈ বোধিসত্ত্ব ভদ্ৰৱতী গাঁও পালেগৈ। ভদ্ৰৱতীত এজন সাধুৱে আশ্ৰম পাতি বাস কৰিছিল। এই আশ্ৰমত অম্বকতীৰ্থক নামৰ এক বিৰাট বিষধৰ সাপ আছিল।

বোধিসত্ত্বৰ শিষ্যসকলৰ মাজত স্বাগত-স্থবিৰ নামৰ এজন শিষ্য আছিল মন্ত্ৰশাস্ত্ৰত অতিশয় দক্ষ আৰু ধৈৰ্য্যশীল। আশ্ৰমলৈ আহি স্বাগতস্থবিৰে চাৰি পাতি বহি জিৰণি ল'বলৈ ধৰিলে। আৰু সৰ্প অম্বকতীৰ্থক তাত ওলালহি।

স্বাগতস্থবিৰে ধীৰ-স্থিৰভাৱে সাপটোক সুধিলে, "তুমিয়েইনে বাৰু অম্বকতীৰ্থক ?"

এই প্ৰশ্ন শুনি সাপটোৱে উচ্চ শব্দেৰে ফোচফোচাবলৈ ধৰিলে। তাৰ মুখৰপৰা ক'লা ধোঁৱা ওলাল। স্বাগত-স্থবিৰেও মন্ত্ৰশক্তিৰ বলত তেওঁৰ নিজৰ মুখৰপৰা ক'লা ধোঁৱা উলিয়াবলৈ ধৰিলে।

স্বাগতই পুনৰ সাপটোক সুধিলে,

“তুমিয়েই বাৰু অম্বকতীৰ্থকনে কি?”

এই প্ৰশ্ন শুনি সেই সাপটোৱে তাৰ মুখৰপৰা জুই বঁতিয়াবলৈ ধৰিলে। তাৰ পাছত সাপ আৰু স্থবিৰৰ মাজত প্ৰতিযোগিতা চলিল। সাপটোৱে যি কৰে স্থবিৰেও তাকে কৰে। শেহলৈ সাপটোৱে স্থবিৰৰ ওচৰত আত্মসমৰ্পণ কৰিলে।

স্থবিৰে ক'লে, “অম্বকতীৰ্থক, ইয়ালৈ তীৰ্থ কৰিবলৈ অহা যাত্ৰীসকলক যে তুমি খুটি মাৰা—মই জানো। গতিকে—দণ্ড তুমি পাবা। ল'বই লাগিব দণ্ড।” এই বুলি কৈ স্থবিৰে সাপটোক মাৰি পেলালে।

এই ঘটনাৰ পোন্ধৰ দিনৰ অন্তত বোধিসত্ত্ব ভদ্ৰৱতী গাঁও এৰি কোশাম্বী-নগৰলৈ গ'ল। কোশাম্বীনগৰৰ অধিবাসী-সকলে বোধিসত্ত্বলৈ বিপুল অভ্যৰ্থনা জ্ঞাপন কৰিলে।

পাছদিনা ৰাতিপুৱা নগৰৰ অধিবাসী কিছুমানে স্বাগতস্থবিৰ আৰু তেওঁৰ লগৰীয়াসকলৰ ওচৰলৈ আহিল আৰু সুধিলেহি, “আপোনালোক হিমালয়ৰ বাহিৰে আন ক'লৈকো নাযায় বুলি আমাৰ ধাৰণা। যি কি নহওক, আপোনালোকক পাই আমি ধন্য মানিছোঁ। আপোনালোকে কি খাব কওক। আপোনালোকে যি বস্তু খাবলৈ বাঞ্ছা কৰি আমি খুৱাবলৈ আপ্ৰাণ চেষ্টা কৰিম।”

স্বাগতস্থবিৰে একো উত্তৰ নিদিলে; কিন্তু তেওঁৰ লগৰীয়াসকলে ক'লে, “আমাক পাৰাৰত মদ খাবলৈ দিলে বৰ ভাল পাম। আমি বহু চেষ্টাতো এই মদ ক'তো বিচাৰি পোৱা নাই। আমাক এই মদ খুৱালে আমি তোমালোকক হিয়া উজাৰি আশীৰ্বাদ কৰিম।”

পাছদিনা সিহঁতে স্বাগতস্থবিৰ আৰু তেওঁৰ লগৰীয়াসকলক জোখে-জোখাৰে পাৰাৰত মদ অৰ্থাৎ পাৰ চৰাইৰে তৈয়াৰী মদ আনি দিলে।

স্থবিৰে এই পাৰাৰত মদ আকণ্ঠ পান কৰিলে। তাৰ ফলত স্বাগতস্থবিৰ মাতাল হৈ পৰিল আৰু বেবেৰিবাং বকি থাকিল। তেওঁ বলিয়াৰ দৰে আচাৰ-আচৰণ কৰি থাকিল আৰু এসময়ত বাটৰ ওপৰত বাগৰি পৰিল।

স্থবিৰৰ লগৰীয়াহঁতে স্থবিৰক বোধিসত্ত্বৰ ওচৰলৈ লৈ গ'ল আৰু তেওঁৰ পদতলত শুৱাই দিলে। স্থবিৰে কেনেবাকৈ মূৰ দাঙি বোধিসত্ত্বলৈ ৰঙাচকুৰে চালে আৰু মুহূৰ্ততে পুনৰ বাগৰি চৰণতলত পৰিল।

তেতিয়া বোধিসত্ত্বই মিচিকীয়াই হাঁহি মাৰি আনবিলাকক ক'লে, "এইজন স্বাগতস্থবিৰেই এদিন ভয়ংকৰ বিষাক্ত অম্বকতীৰ্থক নামৰ সাপটোক মাৰি পেলাইছিল, কথাটো নিশ্চয় তোমালোকে জানা।" তাত উপস্থিত থকাসকলে বোধিসত্ত্বৰ কথা শুনি তেওঁৰ বক্তব্যলৈ মূৰ দুপিয়াই সমৰ্থন জনালে।

বোধিসত্ত্বই পুনৰ ক'লে, "যিজন স্থবিৰে এদিন বিষধৰ সৰ্পকো মাৰি পেলাইছিল, পৰাভূত কৰিছিল, এতিয়া আৰু সেইজন স্থবিৰে এটা ঢোৰা সাপকো মাৰিব পাৰিবনে বাৰু ?"

সকলোটিয়ে কৈ উঠিল, "নোৱাৰে।"

তেতিয়া বোধিসত্ত্বই পুনৰ ক'লে, "তোমালোকে কিন্তু এই কথা পাহৰি নাযাবা। মদপানৰ ফলত এজনৰ শক্তি যে কিমান ক্ষয় হয় তাৰ প্ৰমাণ তোমালোকৰ চকুৰ আগত আছে। এতিয়াৰপৰা তোমালোকে মদ খোৱাৰ অভ্যাস এৰিবা, সুস্থ জীৱন যাপন কৰিবা, এই আশা কৰিছোঁ মই।"

মদৰ ৰাগী নোহোৱা হ'লত স্বাগত-স্থবিৰে বোধিসত্ত্বৰ চৰণত ধৰি ক্ষমা প্ৰাৰ্থনা কৰিলে। বোধিসত্ত্বই তাক বুকুৰ মাজত আঁকোৱালি লৈ মদপানৰ অনিষ্টকাৰী প্ৰভাৱ সম্পৰ্কে উপদেশ দিলে।



সৰস্বতী

একত্, দ্বিত্ আৰু তৃত্ নামৰ গৌতম মুনিৰ তিনিজন পুত্ৰ আছিল। সুমলীয়া তৃতই অতি কম বয়সতে পণ্ডিত হিচাপে খ্যাতিলাভ কৰিছিল। তপোবনৰ অধিবাসীসকলে তৃতক যথেষ্ট শ্ৰদ্ধা-ভক্তি কৰিবলৈ ধৰিলে।

এতিয়া তিনিও যুৱক হ'ল। এদিন সিঁহতৰ দেউতাকৰ শিষ্যসকলৰ সৈতে সাক্ষাৎ কৰিবলৈ তিনিও দূৰণিবটীয়া গাঁও এখনলৈ গ'ল। শিষ্যসকলে তিনিওজনলৈ যথোচিত আদৰ-অভ্যৰ্থনা জ্ঞাপন কৰিলে আৰু তৃতৰ প্ৰতি বহুতেই আকৰ্ষিত হ'ল।

তাৰ পাছত সেই শিষ্যসকলে দিয়া ধন-সোণ আৰু গাভীৰে সৈতে তিনিও পুনৰ ঘৰমুৱা হ'ল। ঘৰ পায়েই তৎক্ষণাৎ যজ্ঞ পাতিব লাগিব।

তৃতলৈ একত্ আৰু দ্বিত্ ঈৰ্ষান্বিত আছিল। একত আৰু দ্বিতই তৃতক তাৰ প্ৰাপ্যৰপৰা বঞ্চিত কৰিব বুলি স্থিৰ কৰিলে। কিন্তু এইবোৰ নাজানি তৃতই আপোনমনে গৈয়েই থাকিল।

হঠাৎ একত আৰু দ্বিতই লক্ষ্য কৰিলে যে এটা হিংস্ৰ জন্তু হাবিৰপৰা ওলাই আহিছে। সেই জন্তুটোৱে আপোন-পাহৰা তৃতলৈ আগুৱাই অহা দেখিও তাক অকণোকে সতৰ্ক নকৰি সিঁইত দুয়ো ওখ গছ বগাই উঠি গ'ল।





তৃতই হিংস্ৰ জন্তুটোক দেখা পাই পলাই যাবলৈ ধৰোঁতে এটা গাঁতৰ ভিতৰত পৰিলগৈ। জন্তুটোৱে গাঁতৰ চাৰিওফালে পাক মাৰি মাৰি চাই চাই গুচি গ'ল। কিন্তু তৃতৰ ককায়েক দুজন সেই গছৰপৰা নামি নাহিল।

তাৰ পাছত গছৰপৰা নামি আহি একত আৰু দ্বিতই তৃতক মাত নলগোৱাকৈয়েই ধন-সোণ আৰু গাভী লৈ গুচি গ'ল। গ'াতৰ ভিতৰত থকা তৃতই এইবোৰ কথা নাজানিলে।

হাজাৰ চেষ্টাতো যে যজ্ঞৰ সময়ত তৃত্‌ তাত উপস্থিত হ'ব নোৱাৰিবগৈ, সেই কথা অনুমান কৰি, গাঁতৰ ভিতৰত থকা ঘাঁহকে জুই বুলি ধৰি লৈ তৃতই গাঁতৰ ভিৰতে যজ্ঞ পাতিলে। গাঁতৰ ভিতৰত থকা পানী জুইৰূপী ঘ াঁহৰ ওপৰত ঢালিবলৈ ধৰিলে।

তৃতৰ ককায়েইতৰ ধৰ্মলৈ নিষ্ঠা নথকাত যজ্ঞ পাতিও কোনো ফল লাভ কৰিব নোৱাৰিলে। সিহঁতৰ যজ্ঞ বিফল হ'ল।

ইপিনে নিষ্ঠাৱান তৃতৰ আগত সেই গাঁতৰ ভিতৰতে তুষ্ট দেৱতাসকল উপস্থিত হ'লগৈ। গাঁতৰ পৰা উদ্ধাৰ কৰিবলৈ তৃতই দেৱতাসৰক খাটিলে।

দেৱতাসকলে তৃতক সেই গাঁতৰপৰা উলিয়াই আনি গাঁতত এক জলপ্ৰবাহৰ সৃষ্টি কৰিলে। এই প্ৰবাহই নৈৰ ৰূপ ল'লে। তৃত ৰক্ষা পৰিল। কিন্তু দেৱতাসকলৰ অভিশাপৰ ফলত একত আৰু দ্বিতই গাহৰিৰ ৰূপ পালে।

এই গাঁতৰপৰা ওলোৱা জলপ্ৰবাহ আগলৈ সৰস্বতী নৈ নামেৰে খ্যাত হ'ল। অসংখ্য মুনি-ঋষি এই নৈৰ প্ৰশংসাত পঞ্চমুখ হ'ল। অন্তৰ্বাহিনী নৈৰূপে প্ৰবাহিতা সেই সৰস্বতী নৈ বৰ্তমান এলাহাবাদস্থ প্ৰয়াগত ত্ৰিবেণী সংগমত অৰ্থাৎ গংগা-যমুনা-সংগমত লগ লাগি পৱিত্ৰ তীৰ্থৰূপে খ্যাত হ'ল।

আদৰ্শ দণ্ড

মিহিৰবৰ্মাৰ শাসনকালত লক্ষ্মণদেশত নিৰ্মলানন্দ নামৰ এগৰাকী সাধুৱে প্ৰভাৱ বিস্তাৰ কৰিছিল। প্ৰজাই নিৰ্মলানন্দক ভগৱান দেখা দি দেখিছিল। কিন্তু ৰজাৰ চোৰাংচোৱাইঁতে নিৰ্মলানন্দৰ সম্পৰ্কে ৰজাৰ মনত বেয়া ধাৰণা সুমুৱাই দিলে। চোৰাংচোৱাইঁতে ক'লে যে, নিৰ্মলানন্দ দৰাচলতে এটা ঠগ তথা জুৱাচোৰ। এই কথা শুনি ৰজাই নিৰ্মলানন্দ সাধুক মতাই অনালে।

ৰজাই যে নিশ্চয় সকলো কথা জানিলেই — নিৰ্মলনন্দই নুবুজাকৈ নাথাকিল। তথাপি নিৰ্মলানন্দই নদমি ৰজাক ক'লে, "মহাৰাজ, মোৰ সম্পৰ্কে আপুনি যি খবৰাখবৰ পাইছে—হয়তো সকলো সঁচা। পিছে—এই বিষয়ত মোৰ একো দোষ নাই। আৰু—কোনটো যে সঁচা কোনটো যে মিছা—সেই কথা প্ৰজাবৰ্গইহে নিৰ্ধাৰণ কৰিব। অসংখ্য শিক্ষিত লোকেও মোৰ কথা ঈশ্বৰৰ কথাৰ দৰে মানি চলে। প্ৰত্যেকেই নিজ নিজ স্বাৰ্থৰ কথা ভাবে আৰু স্বাৰ্থৰ কাৰণেহে মোৰ কাষ চাপে।"

"তাৰ মানে—প্ৰজাইঁতৰ দুৰ্বলতাৰ সুবিধা লৈ সিইঁতক তুমি ঠগিছা।"

"মোৰনো কি দোষ দেখিলে, মহাৰাজ? প্ৰজাসকলে তেওঁলোকৰ স্বাৰ্থসিদ্ধিৰ কথা মোৰ যোগেদি ভগৱানলৈ জনায়।"

এই কথা শুনি ৰজাই কি ক'ব ভাবি নোপোৱা হ'ল, মন্ত্ৰীও মনে মনে থাকিল।

ঠগ নিৰ্মলানন্দৰ কথাৰ মাজত কিবা প্ৰতাৰণা আছেনে কি ধৰিব নোৱাৰি

মন্দিৰা মহন্ত



ৰজাই অদূৰতে বহি থকা এগৰাকী বৃদ্ধলৈ চালে। এই বৃদ্ধ আছিল ৰজাৰ গুৰু। বৃদ্ধই হাঁহি মাৰি নিৰ্মলানন্দক ক'লে, "নিৰ্মলানন্দ, ইমানপৰে তুমি যি ক'লা, শুনি মোৰ এটা গল্প মনত পৰিল। এগৰাকী মাতৃৰ চাৰিটি ল'ৰা আছিল। সিহঁতৰ মাজত সৰুটি আছিল অতি বিনয়ী আৰু নম্ৰ স্বভাৱৰ ল'ৰা। তাক তাৰ ককায়েক তিনিওজনেই বৰ জ্বলা-কলা কৰিছিল, অত্যাচাৰো কৰিছিল। এদিন মাকে সেই তিনিটাক সুধিলে, "হেৰ, তহঁতে তাকনো ইমান অত্যাচাৰ কৰ কিয়? সিনো কি কৰিলে তহঁতৰ?" এই কথাৰ উত্তৰত সিহঁত তিনিটাই মাকক ক'লে, 'মা, তুমি যে তাৰ হৈ আমাক কৈছা—আমি কিবা তাক মাৰপিট কৰিবলৈ মানা কৰিছোনে কেতিয়াবা? আমি যেনেকৈ তাক জ্বলাকলা কৰোঁ, সি আমাক নকৰে কেলেই?' কথাষাৰত যুক্তি থকা বুলি ভাবি মাকে তেওঁৰ সৰু ল'ৰাটোক ক'লে, 'তই তোৰ ককায়েৰহঁতক নামাৰ, নোজোকাৰ কিয়? সিহঁতে তোক যেনেকৈ যি কৰে, তয়ো সিহঁতক তাকে কৰিবি।' এই বুলি কৈ মাকে সেই নম্ৰ ল'ৰাটোক উগ্ৰ কৰি তুলিব খুজিছিল। কিছুদিনৰ অন্তত মাক ঢুকাল। ঢুকাই—গ'ল নৰকলৈ।

নৰকত যমৰজাই এইগৰাকী মাতৃক ক'লে, "তোমাক কিয় নৰকলৈ লৈ অহা হ'ল বুজি পাইছানে? তোমাৰ সৰুটো আছিল নম্ৰ আৰু বিনয়ী। তুমি তাক তাৰ ককায়েকহঁতৰ দৰে উগ্ৰ কৰি তুলিব খুজিছিলা, সিহঁতক অভদ্ৰ আচৰণৰ বাবে একো নক'লা। তাৰ মানে—তুমি সিহঁতৰ উগ্ৰ অভদ্ৰ আচৰণক প্ৰকাৰান্তৰে সমৰ্থনহে কৰিছিলা। অৰ্থাৎ—জোৰ যাৰ মুলুক তাৰ নীতিলৈ তুমি তোমাৰ সমৰ্থন জনাইছিলা। মানৱতাক ভৰিৰে গছকি ৰাক্ষসনীতিক আদৰিছিলা। এটি ভদ্ৰ,

বিনয়ী, নম্ৰ ল'ৰাক যিহঁতে অত্যাচাৰ কৰিছিল—সিহঁতক সমৰ্থন কৰাৰ কাৰণেহে তোমাৰ এই নৰকবাস।" এই বুলি কৈ বৃদ্ধ ৰ'ল। খন্তেকমানৰ পাছত বৃদ্ধই পুনৰ ক'লে, "মোৰ বক্তব্য হ'ল—মানুহৰ সৈতে মানুহৰ সম্পৰ্ক থাকিবই, থকাটোৱেই স্বাভাৱিক। দুৰ্বল মানুহে কল্পনাৰ যোগেদিয়েই বহুতো কিবাকিবি পাবলৈ বিচাৰে। সিহঁতৰ আশা-আকাংক্ষাও অধিক হয়। কিন্তু সিহঁতৰ পৰিশ্ৰম কৰাৰ ক্ষমতা কম। এনেবোৰ মানুহক ঠগি, তুমি বিৰাট অপৰাধ কৰিছা। অনিষ্ট হোৱা নাই, বা তুমি একো অনিষ্ট কৰা নাই বুলি যি কৈছা—প্ৰকৃততে সিও সত্য নহয়। সিহঁতৰ দুৰ্বলতাক তুমি ঢেৰ বঢ়াই দিছা। সিহঁতৰ মন অধিক দুৰ্বল হৈ পৰিছে। গতিকে— মাতৃয়ে যি কাৰণে নৰকবাস কৰিছিল, সেই একেটা কাৰণতে তোমাৰো কঠোৰ দণ্ডহে প্ৰাপ্য। তোমাক দণ্ডদান নকৰিলে সেইগৰাকী মাতৃৰ দৰে ৰজাৰো নৰকবাস হ'ব।"

বৃদ্ধৰ যুক্তিপূৰ্ণ কথা শুনি নিৰ্মলানন্দ তলমূৰ হৈ মনে মনে থাকিল। নিৰ্মলানন্দক কেনে ধৰণৰ দণ্ডদান কৰিব পাৰি—ৰজাই সোধাত বৃদ্ধ গুৰুৱে ক'লে, "মোৰ ধাৰণা, নিৰ্মলানন্দ আৰু তাৰ শিষ্য দুজন হ'ল শ্ৰমকাতৰ পৰজীৱি, অৰ্থাৎ যাক বোলে ধোদৰপচলা। সিহঁতে কেৱল মগজু খটুৱাই আনক ঠগিবলৈ ধান্দা কৰি থাকে। গতিকে—সিহঁতক শাৰীৰিক শ্ৰমৰ কৰ্মত নিযুক্ত কৰিলেহে আদৰ্শ দণ্ডদান কৰা হ'ব। সিহঁতকেইটাক ৰাজকীয় উদ্যানত কাম কৰিবলৈ দিয়া হওক—মোৰ প্ৰস্তাৱ ইমানেই।"

ৰজা মিহিৰবৰ্মাদেৱে তেওঁৰ গুৰুৰ প্ৰস্তাৱ গ্ৰহণ কৰি নিৰ্মলানন্দ আৰু তাৰ শিষ্য দুজনক ৰাজকীয় উদ্যানত মালীৰ কাম কৰিবলৈ বাধ্য কৰিলে।

সহজ নেওতা

গাঁৱৰ নাম ৰামপুৰ। ৰামপুৰৰ অধিবাসীহঁতে গাঁৱত মন্দিৰ প্ৰতিষ্ঠা কৰিব। তাৰ কাৰণে দান-বৰঙনি ল'ব লাগিব।

অধিবাসীহঁতে কথাটো গাঁওবুঢ়াক ক'লে। গাঁওবুঢ়াই সকলো কথা শুনাৰ প'ছত ক'লে, "মোৰ মাটিত থকা আমজোপাৰ কাষৰীয় মাটিখিনি মন্দিৰ প্ৰতিষ্ঠাৰ বাবে দিব পাৰোঁ। মন্দিৰ প্ৰতিষ্ঠাৰ বাবে হাজাৰ টকাৰ খৰচ হ'ব বুলি কৈছা তোমালোকে। মোৰ মাটিখিনিৰ দাম হ'ব কমেও হেজাৰ টকা। এই হেজাৰটকীয়া মাটি মই দান কৰিলোঁ মন্দিৰৰ বাবে"

গাঁওবুঢ়াৰ কথা শুনি গাঁওবাসীহঁতৰ মনত আনন্দৰ জোৱাৰ বৈ গ'ল। তাৰ পাছত সিহঁত ঘৰে ঘৰে গৈ চান্দা ল'বলৈ ধৰিলে।

এইদৰে, চান্দা-টান্দা আদায় কৰাৰ অন্ততো পাঁচশ টকা কম পৰিল। এই পাঁচশ টকা কোনে দিব, ক'ৰপৰা-কাৰপৰা পাব—সিহঁতে ভাবি উলিয়াব নোৱাৰি এই বিষয়ে গাঁওবুঢ়াৰ কাষ চাপিল।

গাঁওবুঢ়াই ক'লে, "পাঁচশ টকা কম পৰিল—কি হ'ল। এয়া কোনো সমস্যায়েই নহয়। মোৰ মাটিখিনিৰ দাম হাজাৰ টকা আছিল, এতিয়া কৈছোঁ, পোন্ধৰশ—মানে ডেৰহেজাৰ টকা। বঢ়- হৈ গ'ল। তেতিয়া পাঁচশ টকা পট্‌কৈ পূৰণ হৈ গ'ল। মই পোন্ধৰশ টকা চান্দা দিলোঁ বুলি তোমালোকে লিখি লোৱা, তেতিয়া আৰু একো সমস্যা নাথাকিব, পুৰাপুৰি দুহেজাৰ হৈ যাব।"

গাঁওবুঢ়াৰ সহজ নেওতা শুনি গাঁওবাসীৰ চকু টেলেকা-টেলেক হ'ল।

চোৰ আৰু মোৰ

নাগপুৰ গাঁৱত নহৰু নামৰ এজন সুতৰ ধনী কাৰবাৰী আছিল। নহৰুৰপৰা কোনোবাই এবাৰ টকা ধাৰলৈ ল'লে সেই মানুহজনৰ আৰু ৰেহাই নাছিল। টকাৰ সুত, সুতৰো সুত আৰু হিচাপৰ কাৰচাজি কৰি নহৰুৱে দুখীয়া আৰু পঢ়ালিখা নজনাসকলক সদায় ঠগিছিল।

এদিন নহৰুৱে এটা কথা আৱিষ্কাৰ কৰিলে যে—গাঁৱৰ অধিকভাগ মানুহ তাৰ ওপৰত ক্ৰুদ্ধ। সি ভাবিলে ঃ এইখন গাঁৱত আৰু বেছিদিনলৈ নথকাটোহে মোৰ পক্ষে ভাল হ'ব। আন কোনোবা গাঁৱলৈ গৈ সুতৰ কাৰবাৰ কৰিব লাগিব নতুনকৈ। এইবোৰ কথা ভাবি সি নাগপুৰীয়া লোকসকলৰপৰা সুতে-মূলে টকা আদায়-উচুল কৰিবলৈ উঠি-পৰি লাগিল। সি ভালেমান মানুহৰ ঘৰ-দুৱাৰ ঋণৰ দায়ত আত্মসাৎ কৰি ল'লে। কিন্তু তথাপি সম্পূৰ্ণ আদায়-উচুল নহ'ল। গতিকে—ভালেখিনি পাওনা এৰি থৈ সি নাগপুৰ এৰি আন গাঁৱলৈ যাবলগীয়া হ'ল। নাগপুৰ এৰি যোৱাৰ আগতে—তাৰ ল'ৰাটোৱে যাতে পাওনাখিনি আদায় কৰিব পাৰে—তাৰ ব্যৱস্থা কৰি গ'ল।

ল'ৰাটোৰ নাম বহৰু। বহৰুৱে নিজক বৰ চালাক বুলি ভাবিছিল। সি নিজেই নিজৰ জ্ঞানবুদ্ধি সম্পৰ্কে বৰাই কৰিছিল। অৱশ্যে নহৰুৱে বহৰুৰ বুদ্ধিৰ লৰ কিমানলৈ নহৰুৱে নজনা নহয়। সি বহৰুৱে মুখেৰে যিমানেই বেলবেলাওক কামত যে এটা অলগৰ্ধ—নহৰুৱে জানে। নতুন গাঁৱত কিছুদিন কটোৱাৰ পাছত বহৰু নাগপুৰলৈ

গ'ল প্ৰাপ্য টকা আদায় কৰিবলৈ। এসপ্তাহ তাত থাকি ঢেৰ টকা আদায়-উচুল কৰি ঘৰমুৰা—অৰ্থাৎ নতুন গাঁৱলৈ খোজলোৱাৰ আগে আগে তাৰ দেউতাকৰ পৰা খবৰ এটা লৈ এজন মানুহ আহিল। দেউতাক নহৰুৰ বক্তব্য আছিল এয়ে যে, এটা পঠা কিনি লৈ আহিব লাগিব, পঠাটো যাতে ভাল পঠা হয় তালৈ মন কৰে যেন—ইত্যাদি।

বহৰু গ'ল পঠা বেচা হাটলৈ। সাধাৰণত এটা পঠা পঁচিছ টকাত বিক্ৰি হৈছিল। বহৰুৱে এজন পঠা-ছাগলীৰ বেপাৰীক ক'লেগৈ, "হেৰা, মোক এটা ভাল চাই পঠা দিয়াচোনহে। দাম যিমান লাগে লোৱা, পিছে পঠাটো একদম লা-জৱাব—মানে বঢ়িয়া হ'ব লাগিব।" তাৰ পাছত এটা পঠালৈ আঙুলিয়াই বহৰুৱে পুনৰ সুধিলে, "এই পঠাটোৰ দাম কিমাননো?"

"মোৰ যিমান পঠা আছে—আটাইতকৈ ভাল পঠা এইটোৱেই। তাতকৈ ভাল আৰু মইহে আছোঁগৈ।"

"ধেমালি এৰা, কোৱা তোমাৰ এই পঠাটোৱেই আটাইতকৈ ভাল পঠানে?"

পঠাৰ বেপাৰীয়ে বহৰুলৈ ঘৰিয়ালৰ দৰে চাই ক'লে, "মোৰ পঠাতকৈ ভাল পঠা ল'বলৈ হ'লে যাব লাগিব মৰণকাইৰ ওচৰলৈ। মৰণকাইৰ পঠাতকৈ বঢ়িয়া পঠা জগততো নাই।"

"তোমাৰ মৰণকাই থাকে ক'ত?"

"এয়া—হাটৰ দখিণ কোণত থাকে।"

মৰণে বহৰুৰ কথা শুনাৰ পাছত গম্ভীৰ দাৰ্শনিকৰ দৰে লাহে-ধীৰে ক'লে, "মোৰ ওচৰত এটা সুশিক্ষিত পঠা আছে। মোৰ এই পঠাটো ইমানেই উচ্চমানৰ যে—কিনাৰ কথা বাদেই—এবাৰ চাবলৈ হ'লেও একুৰি টকা লাগিব।"

এই অদ্ভুত কথা শুনি বহৰুৰ মনত কৌতূহলৰ জোৱাৰ উঠিল। সি মৰণৰ

হাতত একুৰি টকা দি পঠাটোক চাব খুজিলে। পঠাটোক উলিয়াই আনি মৰণে ক'লে, "এই পঠাটো দেখাত পঠা হলেও আচলতে মোৰ-আপোনাৰ দৰেই বুদ্ধিমান। ই মানুহৰ দৰে খেল দেখুৱাব পাৰে, নাচিব পাৰে, এডাল লাঠি ৰগাই উঠি যাব পাৰে।" মৰণে পঠাটোৰ কাৰ্য্যকাৰিতা দেখুৱাই দিলে বহৰুক।

পঠাৰ পাৰ্গতালি দেখি বহৰুৰ বোল-মাত বন্ধ হওঁ হওঁ হ'ল। সি থোকাথুকি মাতেৰে সুধিলে, "মৰণকাই, আপুনি পঠাটোৰ দাম কিমান ল'ব?"

মৰণে দাৰ্শনিক দৃষ্টিৰে আকাশলৈ চাই লাহেকৈ ক'লে, "বেচোঁ যদি—ক.মও—কমেও এহেজাৰমান ল'ম।"

"এটা পঠাৰ দাম হেজাৰ টকা! মোৰ চৌধ্যপুৰুষেও শুনা নাই কিজানি।"

মৰণে পুনৰ ক'লে, "হেজাৰটকীয়া পঠাৰ কথা কথা শুনিয়েই তুমি চঁক খাই উঠিছা। মোৰ ওচৰত গান গাব পৰা পঠাও আছে এটা। সেইটোৰ দাম শুনিলে তো তুমি মাটিত বাগৰি পৰিবা।"

"ধেৎ!" বহৰুৱে কৈ উঠিল, "পঠায়ো আকৌ গান গাব পাৰেনে?"

"ময়ো তোমাক বিশ্বাস কৰিবলৈ কোৱা নাই। অৱশ্যে তোমাৰ মন গ'লে সেই পঠাটোৰ গীত শুনিব পাৰা। পিছে—পঠাৰ গীত শুনিবলৈ এশ টকা





লাগিব।" মৰণে বহুৰুক ক'লে।

লগে লগে বহুৰুৱে এশ টকা জেপৰপৰা উলিয়াই দিলে আৰু মৰণেও পঠাটোক উলিয়াই আনি গীত শুনাই দিলে। অবাক বহুৰুৱে হতবাক হৈ পঠাৰ গীত শুনিলে। মৰণৰ কথা দেখোন আখৰে আখৰে সঁচা! বহুৰুৱে মৰণক সুধিলে, "মৰণকাই, এই পঠাজনৰ দাম কিমান?"

"এইজনৰ দাম পাঁচ হেজাৰ।"

"পাঁচ হেজাৰ। মোৰ লগত পাঁচ হেজাৰ আছে অৱশ্যে।" বহুৰুৱে ক'লে।

"শুনা, ঠাণ্ডা হৈ শুনা।" মৰণে বহুৰুৰ পিনে স্থিৰ দৃষ্টিৰে চাই ক'লে, "মোৰ ওচৰত গাব আৰু নাচিবপৰা পঠাও আছে এটা।" বহুৰুৱে একো কোৱাৰ আগতেই মৰণে পুনৰ ক'লে, "পিছে—চাবলৈ হ'লে দুশটি টকা লাগিব।"

মন্ত্ৰমুগ্ধৰ দৰে ভূপতিয়ে টকা উলিয়াই আনিলে জেপৰপৰা। আৰু মৰণে তাৰ ঘৰৰপৰা উলিয়াই আনিলে ৰং-বিৰঙী সাজ-পাৰ পিন্ধা পঠা এটা। পঠাটোৱে বহুৰুৰ আগত নাচিলে, গান গাই শুনালে।

বহুৰুৱে ভয়ে ভয়ে মৰণক সুধিলে, "এখেতক কিমানত বেচিব মৰণকাই?"

মৰণে গুন-গুনকৈ ক'লে, "এওঁৰ দাম কোনেও দিব পাৰিবনে? নোৱাৰে। তথাপি—দহ হেজাৰমান পালে মই দি দিম। তাতকৈ এপইচা কমতো নেবেচোঁ।"

"কিন্তু দাম বৰ বেছি হ'ল।"

"ওঁ, কিনোতে কিনোতাই তাকে ভাবিব—বেছি হ'ল। পিছে—এওঁৰ নাচ দেখি গান শুনি যেতিয়া মানুহে জাপে জাপে টকা দলিয়াই দিব—তেতিয়া কেইমাহমানৰ ভিতৰত টকা দহ হেজাৰ উচুল হৈ যাব।" মৰণে দৃঢ়ভাৱে ক'লে।

বহুৰুৱে মৰণৰ কথা উৰাই নিদিলে। সি তেতিয়া ভাবিলেঃ দেউতাৰ ওচৰলৈ এই খবৰটো পঠাওঁনে? কিন্তু তাতকৈ পঠাটো চিধ্‌ধাই ঘৰলৈ লৈ গ'লে দেউতাই

কিজানি আৰু ভাল পাব। বহৰুৱে মৰণক ক'লে, "মৰণকাই, মোৰ লগত আঠ হেজাৰতকৈ বেছি আৰু এটা টকাও নাই। মোক নিদিবনে ?"

"মৰণকাই বুলি যেতিয়া মাতিছা— তেতিয়া ভাইটিৰপৰা দুহেজাৰমান কমকৈ ল'লোঁৱেইবা। দিয়া।" মৰণে বহৰুৰপৰা আঠহেজাৰ টকা গণ্ডি কৰি লৈ নৃত্য-গীতবিদ্ পঠাটো উলিয়াই দিলে।

মৰণক টকা দিয়াৰ পাছত বহৰুৰ হাতত আৰু এটা টকাও নাথাকিল। সি এখন গৰুৰ গাড়ী লৈ নতুন গাঁৱলৈ যাব বুলি ভাবিলে। কিন্তু গাৰোৱানটোৱে যেতিয়া আধা ভাৰা আগধন হিচাপে খুজিলে তেতিয়া বাধ্যত পৰি তাক গুচি যাবলৈ ক'লে বহৰুৱে। নাগপুৰীয়া কাৰোবাৰপৰা খুজিলেও লাভ নাই, সিহঁতে বিশ্বাসেই নকৰিব যে তাৰ পইচা নাই।

গতিকে—পঠাটোৰ ডিঙিত ৰছী বান্ধী লৈ বহৰুৱে খোজ কাঢ়ি কাঢ়ি নতুন গাঁবলৈ গৈ থাকিল। খোজ কাঢ়ি কাঢ়ি ভোক লাগিল বহৰুৰ। পঠাটোয়ো ভোকতে বেবাবলৈ ধৰিলে। বহু কষ্টেৰে ঘৰ পাই বহৰুৱে তাৰ দেউতাকক ক'লে, "দেউতা, এয়া লোৱা পঠা, এনেহেন পঠা তুমি জগতত আৰু বিচাৰি নোপোৱা।"

নহৰুৱে পঠাটোলৈ চাই ক'লে, "কাইলৈ জমিদাৰ ডাঙৰীয়াক আৰু তেওঁৰ দেৱানকো আমাৰ ঘৰলৈ খাবলৈ মাতিছোঁ। পঠাটোৰ মঙহ যদি সোৱাদ হয়—ভালেই। কিন্তু জগততো এনেকুৱা পঠা বিচাৰি নোপোৱাৰ কথা কেৱল তোৰ নিচিনা পঠাইহে ক'ব পাৰে।"

"শুনা, এই পঠাটো অসাধাৰণ পঠা। ই নাচিব পাৰে, গান গাব পাৰে। জমিদাৰ আৰু দেৱানে এই পঠাৰ নাচ চাই, গীত শুনি কিমান যে ৰং পাব! জমিদাৰে এই গুণী পঠাটোৰ কথা নিশ্চয় ৰজাক ক'ব, আৰু ৰজাই তেতিয়া লাগিলে

লাখ টকাৰেও এই গুণৰ সাগৰ পঠাটোক কিনি ল'ব আমাৰপৰা।"

ইমানলৈকে শুনি নহৰুৱে ভাবিলে : ঠিক আছে, তাৰ কথা যদি সঁচা হয়— এইটোক আৰু বলি নিদিওঁ। এই বুলি ভাবি নহৰুৱে নতুন গাঁৱৰেপৰাই আন এটা পঠা কিনি আনিলে।

পাছদিনা জমিদাৰ, দেৱান আৰু আন কেইগৰাকীমান বিশিষ্ট ব্যক্তি নহৰুৰ ঘৰত খাবলৈ আহিল। বহৰুৱে গুণী পঠাটোক তেওঁলোকৰ সমুখলৈ আনি ক'লে, "মাননীয়সকল! এই পঠাটো দেখাত পঠা পঠা যেন লাগিলেও আচলতে ই বহু মানুহতকৈয়ো গুণী। এনেকুৱা আন এটা পঠা জগতখনতো বিচাৰি নাপায়। এতিয়া আপোনালোকে এই পঠাটোৰ নাচ চাওক, গান শুনক।" এই বুলি কৈ, বহৰুৱে পঠাটোক নাচিব আৰু গাবলৈ ক'লে। কিন্তু পঠাটোৱে একো নকৰিলে।

তেতিয়া বহৰুৱে পঠাটোৰ গায়ে-মূৰে মৰমৰে হাত ফুৰাই বহুতো কাবৌ-কাকুতি কৰিলে। কিন্তু তথাপি পঠাটো অলৰ হৈয়েই থাকিল।

বহৰুৰ এই অৱস্থা দেখি আলহীসকলে হো হোৱাই হাঁহিবলৈ ধৰিলে। বহৰু লাজতে তলমূৰ হ'ল। জমিদাৰৰ দেৱানে বহৰুক সুধিলে, "তুমি বাৰু পঠাটো মৰণৰপৰা কিনি আনিছানে কি? সি মন্ত্ৰ মাতি পঠাক নচুৱায় গান গোৱায়, আৰু এইদৰে সি প্ৰতাৰণা কৰি অচিনাকি মানুহৰ ওচৰত পঠা বেচে।"

তেতিয়া বহৰুৱে সকলো কথা আলহী-সকলৰ আগত ভাঙি-পাতি ক'লে। পাছত, যেতিয়া বহৰু তাৰপৰা গুচি গ'ল তেতিয়া তেওঁলোকে পৰস্পৰৰ মাজত কোৱাকুই কৰিলে,"চোৰক মোৰে পায়। নহৰুৱে কত মানুহক ঠগিলে, এতিয়া মৰণে তাকেই মৰণান্তিক শিক্ষা দিলে।"

অপৰিৱৰ্তনীয়

প্ৰাচীনকালত মিথিলাদেশত মন্দভাগ্য নামৰ এগৰাকী ৰজা আছিল। মন্দভাগ্য আছিল অতি খঙাল আৰু অহংকাৰী। তেওঁ যুক্তিতৰ্কলৈ মন-কাণ দিয়া নাছিল, তেওঁ নিজৰ মতেই আছিল তেওঁৰ যুক্তি।

এদিন ৰজা মন্দভাগ্যই তেওঁৰ প্ৰাসাদৰ ছাদৰ ওপৰত পাইচাৰি কৰি থাকোঁতে ৰাজআলিয়েদি খোজ কাঢ়ি যোৱা বাটৰুৱাহঁতলৈ চাই পঠালে। বাটৰুৱাহঁতে বিভিন্ন বৰণৰ পোছাক-পাতি পিন্ধি গৈ আছিল। মন্দভাগ্যৰ মনত তেতিয়াই এটা খেয়াল উপস্থিত হ'ল। ৰজাই তৎক্ষণাৎ তেওঁৰ মহামন্ত্ৰীক মতাই অনালে।

"ৰাজআলিলৈ চাওক। মানুহবিলাকে নিজৰ নিজৰ ইচ্ছামতে সাজ-পোছাক পিন্ধি প্ৰকাশ্যে ৰাজআলিয়েদি অহা-যোৱা কৰিছে। ই অসহ্য। মোৰ মতে—সিহঁতৰ প্ৰত্যেকৰ সাজ-পাৰ একেধৰণৰ হোৱা আৱশ্যক। আনকি, সিহঁতৰ খাদ্যও একেই হ'ব লাগে এই ঘোষণা কৰি দিয়া হওক। আনকি মাত-বোলও একেই হ'ব লাগে।"

মন্ত্ৰীয়ে বিপদ গমি—মানুহ যে পুতলা নহয়—সেই কথা ৰজাক বুজাবলৈ ঢেৰ চেষ্টা কৰিলে। কিন্তু ৰজাই মন্ত্ৰীৰ কথা কাণতো নুতুলিলে। তেওঁ অটল।

দুই-তিনিদিনৰ অন্তত ৰজাৰ মনত সন্দেহ উপস্থিত হ'ল যে তেওঁৰ সেই নিৰ্দেশ দেশৰ সৰ্বত্ৰ ঠিকঠাক মতে প্ৰচাৰিত হৈছেনে নাই হোৱা, প্ৰজাহঁতে তেওঁৰ নতুন নিৰ্দেশমতে চলিছেনে নাই চলা। কথা মাথোন ইমানেই নহয়, মন্দভাগ্য

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ৰজাই ইমানলৈকো ভাবিলে যে তেওঁ প্ৰৱৰ্তন কৰা এইবোৰ নিয়ম কিছুদিনৰ পাছত বহু দেশৰ ৰজাই নিজ নিজ দেশত প্ৰৱৰ্তন কৰিব। আৰু তাৰ ফলত তেওঁৰ নাম পৃথিৱীৰ ইতিহাসত অমৰ হৈ থাকিব।

এদিন মন্দভাগ্য ৰজাই এইবোৰ কথা ভাবি ভাবি উদ্যানলৈ গ'ল। কিন্তু সেই উদ্যানত যি দৃশ্য তেওঁ দেখা পালে সেই দৃশ্যই তেওঁক পুনৰ চিন্তাত পেলালে। কিয়নো উদ্যানত থকা মালী আৰু অন্যান্য লিগিৰা-লিগিৰীহঁতৰো সাজ-পাৰ একেই। তাৰ ফলত—সিহঁতৰ মাজত আনকি নাৰী পুৰুষৰ ভেদাভেদো নোহোৱা হৈ পৰিছিল। ৰজাই তৎক্ষণাৎ অন্তেষপুৰলৈ গ'ল। তাতো অৱস্থা একেই। কোন যে ৰাণী কোন যে লিগিৰী চিনি পোৱা টান। দেখাত সকলো একেই।

ক্ৰুদ্ধ-বিৰক্ত মন্দভাগ্য ৰজা পোনে পোনেই ৰাজসভালৈ গ'ল। তাতো অৱস্থা একেই। কোন যে মন্ত্ৰী কোনজন সেনাপতি — পট্‌কৈ ধৰিব নোৱাৰি। সাধাৰণ মানুহৰ সৈতে মন্ত্ৰীৰ বা সেনাপতিৰো সাজ-পাৰৰ পাৰ্থক্য নাই।

ৰজাই অত্যন্ত ক্ৰুদ্ধভাৱে চিঞৰি উঠিল, "মন্ত্ৰী!"

যিহেতুকে মাত-বোল একেই হ'ব লাগে—মন্ত্ৰীয়ে চিঞৰি উত্তৰ দিলে, "মন্ত্ৰী!"

"কী, মইহে মন্ত্ৰীনে? মূৰ্খ!"

ৰজাই এই কথা কোৱাৰ লগে লগে মন্ত্ৰীয়েও চিঞৰি চিঞৰি ৰজাক একেইবোৰ কথা ক'লে। তেতিয়া অতিপাত ক্ৰুদ্ধ ৰজা অন্তেষপুৰলৈ গুচি গ'ল। তেওঁ নিজৰ ভুল বুজি পোৱা হ'ল। তাৰ পাছত মন্দভাগ্য ৰজাই পুনৰ সকলো কথা-কাণ্ড —অৰ্থাৎ সাজ-পাৰ মাত-বোল যুগ যুগ ধৰি চলি অহাৰ দৰে চলি থাকিবলৈ পুনৰ নিৰ্দেশ জাৰী কৰিলে।



শিৱ-পুৰাণ

৩

হিমৱন্ত আৰু মেনকাই সুখেৰে বসবাস কৰিবলৈ ধৰিলে। কিছুদিনৰ অন্তত মেনকা সন্তানসম্ভৱা হ'ল। পঞ্চগ্ৰহ তুংগত থাকোঁতে মেনকাৰ পুত্ৰ উপজিল। এই পুত্ৰৰ নাম থোৱা হ'ল—মৈনাক। মৈনাকৰ পাছতো মেনকাৰ গৰ্ভত নিৰনব্বৈটা পুত্ৰ উপজিছিল। এশ সন্তানৰ পাছতো মেনকা পুনৰ সন্তানসম্ভৱা হ'ল। নওমাহ দহদিনলৈ গৰ্ভ-ধাৰণ কৰাৰ পাছত অৰুদ্ৰা নক্ষত্ৰ উদয়ৰ কালত চ'তমহীয়া বিশুদ্ধ নৱমীৰ দিনা পাৰ্বতীৰ জন্ম হ'ল। পাৰ্বতীৰ জন্মৰ লগে লগে চাৰিওদিশতে পোহৰৰ ঢল বৈ গ'ল। দেৱতাসকলে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। ব্ৰহ্মা, বিষ্ণু আৰু ইন্দ্ৰ উলাহত উদ্বাউল হৈ উঠিল।

ওপজোঁতে পাৰ্বতীৰ দেহ আছিল নীলবৰণীয়া, হাত আছিল চাৰিখন, কপালত এটি চকু আছিল। দেখাত আছিল সাইলাখ কালী গোসাঁনীৰ দৰে।

কিন্তু পাৰ্বতীৰ এই ৰূপ দেখি মেনকাই ভাল নাপালে। পাৰ্বতীৰ মানুহৰ দৰে হোৱাটোহে মেনকাই বাঞ্ছা কৰিছিল। মেনকাই এইবাবে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে আৰু মেনকাৰ প্ৰাৰ্থনাত পাৰ্বতীয়ে এই ৰূপ গুচি মানুহৰ ৰূপ পালে।

ছোৱালী এজনীৰ জন্মলাভৰ ফলত হিমৱন্ত অত্যন্ত আনন্দিত হ'ল আৰু তেওঁ আনন্দানুষ্ঠানৰ ব্যৱস্থা কৰিলে। তেওঁ

'পাৰ্বতীৰ জন্ম'

বিশ্বব্ৰহ্মাণ্ড। মই বিশ্ব-ব্ৰহ্মাণ্ডক লৈ এইদৰে খেলিব পাৰোঁ।” ঘূৰণীয়া আকাৰৰ পুতলাটোক লৈ খেলি থাকোঁতে পুতলাটোকেই কেতিয়াব ব্ৰহ্মা, কেতিয়া বিষ্ণু আৰু কেতিয়াবা মহেশ্বৰ বুলি অভিহিত কৰিছিল তাই। তাই কৈছিল ঃ “এই তিনিজনক লৈ মই এইদৰে খেলি থাকিম।” আকৌ কেতিয়াবা কেতিয়াবা পাৰ্বতীয়ে নিজকেই ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ বুলি অভিহিত কৰিছিল।

পাৰ্বতী বহু প্ৰকাৰৰ বিদ্যাত সুশিক্ষিতা হৈ উঠিল। পাৰ্বতীয়ে সদা-সৰ্বক্ষণ পৰমেশ্বৰৰ ধ্যান কৰিছিল। পৰমশ্বৰৰ ধ্যানত যেতিয়া মগ্ন হৈ পৰিছিল, তেতিয়া তাইৰ লগৰীসকলে হাজাৰবাৰ পাৰ্বতী বুলি মাত লগালেও কাণত নোসোমাইছিল। কিন্তু ‘শিৱানী’ বুলি মাতিলে তেওঁ সিংহৰ পিঠিত উঠি ওলাই পৰিছিল। সিংহৰ পিঠিত উঠি ঘূৰি ফুৰোঁতে তেওঁৰ হাতত যাঠি, ধনু-কাঁড় আৰু ত্ৰিশূল আদি অস্ত্ৰ লৈ ফুৰিছিল। আন কোনো বিধৰ অস্ত্ৰ তাই ভাল নাপাইছিল। আন কোনোবিধৰ বাহন বা অস্ত্ৰ নলৈছিল।

কেতিয়াবা কেতিয়াবা পাৰ্বতীয়ে বীণা বাদন কৰিছিল। কেতিয়াবা কেতিয়াবা গীতো গাইছিল, আনকি নৃত্যও

ব্ৰাহ্মণসকলক বিভিন্ন বস্তু দান কৰি তেওঁলোকৰপৰা এই নৱজাত ছোৱালীজনীৰ বাবে আশীৰ্বাদ প্ৰাৰ্থনা কৰিলে।

পাৰ্বতী ডাঙৰজনী হ'ল। তাই সিংহৰ পিঠিত উঠি, লগৰী সখিয়েকহঁতৰ লগত লৈ পাহাৰ-পৰ্বতৰ আশে-কাষে ঘূৰি ফুৰিছিল। গুহা আৰু বালিৰ স্তুপৰ মাজত লৰা-ধপৰা কৰি লুকাভাকু খেলিছিল। তাই নিজক মাতৃৰূপে কল্পনা কৰি জগতৰ কাল্পনিক সৰু সৰু ল'ৰা-ছোৱালীহঁতলৈ ফল পঠাইছিল। এটা ঘূৰণীয়া বিধৰ পুতলা হাতত লৈ সখিয়েকহঁতক পাৰ্বতীয়ে ক'লে, “এয়ে হ'ল

কৰিছিল। আৰু—পাৰ্বতীৰ এটি বিশেষ চখ আছিল এয়ে যে, তেওঁ শিৱৰ চিত্ৰ আঁকি সকলোকে দেখুৱাইছিল।

এদিন নাৰদমুনি আহিল হিমৱন্তৰ ওচৰত। হিমৱন্তই নাৰদলৈ সাদৰ অভ্যৰ্থনা জ্ঞাপন কৰি আথেবেথে বহিবলৈ দিলে, পাৰ্বতীক ক'লে, নাৰদক প্ৰণাম কৰিবলৈ। পাৰ্বতীয়ে নাৰদক প্ৰণাম কৰাৰ পাছত হিমৱন্তই তাইক কোলাত বহুৱাই লৈ নাৰদক ক'লে, "এইৰ বাবে এটি সুপাত্ৰ বিচাৰিব লাগে। আপুনি অনুগ্ৰহ কৰি সহায় কৰক।"

নাৰদমুনিয়ে পাৰ্বতীৰ হাতত গজ, মৎস্য, অংকুশ আৰু ৰথৰ ৰেখা দেখি হিমৱন্তক ক'লে, "হিমৱন্ত, পাৰ্বতীৰ হাতত যিবোৰ ৰেখা ফুটি ওলাইছে—পাৰ্বতী অসীম শক্তিৰ অধিকাৰী বুলি বোধ হৈছে। এইজনীৰ কৰ্মকাণ্ডৰ ফলত কেৱল তাইৰ নিজৰ নহয়, তোমালোকৰ সকলোটিয়েৰেই নাম অক্ষয়-অমৰ হোৱাৰ সম্ভাৱনা। পাৰ্বতী সকলোতে পূজিতা হ'ব। শিৱৰ সৈতে এইজনীৰ বিবাহ হ'ব। আন কোনো প্ৰকাৰৰ চেষ্টা বা চিন্তা-দুশ্চিন্তা নকৰি এইক শিৱৰ সৈতে বিবাহ দিয়াৰ চেষ্টাত নিয়োজিত হোৱাহে ভাল।" এই বুলি কৈ, নাৰদমুনি তাৰপৰা গুচি গ'ল।

নাৰদমুনি গুচি যোৱাৰ পাছত হিমৱন্তই মেনকাক ক'লে, "আমি শিৱপত্নী হোৱাৰ যোগ্যতা থকা ছোৱালীএজনীৰ কাৰণে কামনা কৰিছিলোঁ। নাৰদমুনিৰ কথা সঁচা হ'লে তোমাৰ সেই ইচ্ছা পূৰণ হ'ব।"

মেনকাই এই কথা শুনি আনন্দমনেৰে ক'লে, "ছোৱালী ডাঙৰ হ'ল, এতিয়া পাত্ৰৰ সন্ধান কৰি তাইক পাত্ৰস্থ কৰিব লাগে।"

"সতীৰ মৃত্যুৰ পাছত, সেই মৃতদেহ কান্ধত কঢ়িয়াই লৈ শিৱই সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ডত ঘূৰি ফুৰিবলৈ ধৰিলে। গৈ গৈ শিৱ গংগাসাগৰ পালেগৈ। তাত



বিষ্ণু আবিৰ্ভূত হৈ শিৱক বহুধৰণে বুজনি দি শান্ত কৰিলে। বিষ্ণুৰ কথাত শিৱ ধ্যানমগ্ন হ'ল। তাতে সতীক কালীৰূপে প্ৰতিষ্ঠিত কৰা হ'ল। শিৱ হ'ল ভক্তৰ প্ৰতি অনুৰক্ত। আমি পাৰ্বতীক শিৱৰ তপস্যা কৰিবলৈ কওঁ আহাঁ, তেতিয়া শিৱ তাইৰ প্ৰতি অনুৰক্ত হ'ব।" হিমৱন্তই মেনকাক ক'লে।

হিমৱন্তৰ কথা মতে মেনকাই পাৰ্বতীক ক'লেগৈ। হিমৱন্তয়ো ক'লে তাইক। তেতিয়া পাৰ্বতী শিৱৰ তপস্যাত বহিল।

তাৰ পাছত মেনকা আৰু হিমৱন্তই পাৰ্বতীক কৈলাসলৈ লৈ গ'ল। তাত নান্দী-ভৃংগী আৰু অন্যান্য অনুচৰহঁতে অস্ত্ৰ হাতত লৈ শিৱক পৰ দি ৰৈ আছিল। বহু ধৰণে চেষ্টা কৰি হিমৱন্ত আৰু মেনকাই পাৰ্বতীৰে সৈতে শিৱৰ ওচৰলৈ যাবলৈ অনুমতি পালে।

হিমৱন্ত আৰু মেনকাই শিৱক সাষ্টাঙ্গে প্ৰণাম কৰি শিৱৰ আগত কৰযোৰে থিয় হৈ থাকিল।

তেনেকৈ বহুতোপৰলৈকে কৰযোৰে থিয় হৈ থকাৰ পাছত শিৱই চকু মেলি চাই ক'লে, "হিমৱন্ত, অপুনি অতি পৱিত্ৰ। আপোনাৰ আগমনলৈ বাট চাইহে মই এই কৈলাসত বহি তপস্যা কৰি আছোঁ। এই অঞ্চল আপোনাৰ।"

"হে মহাত্মা, তুমি যে ইয়াত বহি তপস্যা কৰিছা, মোৰেই সৌভাগ্য। তোমাৰ তপস্যা কালত তোমাৰ অসুবিধা নোহোৱালৈ মই সততে যত্ন লওঁ।" হিমৱন্তই শিৱক ক'লে।

শিৱই হিমৱন্তক বৰ খুজি ল'বলৈ কোৱাত হিমৱন্তই ক'লে, "মোৰ কন্যা পাৰ্বতীয়ে তোমাৰ সেৱা-শুশ্ৰূষা কৰিবলৈ অতি আগ্ৰহী। অনুগ্ৰহ কৰি আমাক এই অনুমতি দান কৰাঁ।"

শিৱই ক'লে, "তপস্যাকাৰীয়ে নাৰীৰ সেৱা-যত্ন গ্ৰহণ কৰা অবিধেয়। পিছে

ইচ্ছা হ'লে, তুমি সেৱাযত্ন কৰিব পাৰা।"

"মোৰ ছোৱালীজনী মহাদেৱীৰপৰা বৰপ্ৰাপ্ত হৈ জনম লৈছে। তাই তোমাৰ দৰে বিৰাগীৰ তপস্যা ভংগ কৰিব নোৱাৰিব। মোৰ সনিৰ্বন্ধ অনুৰোধ, মোৰ প্ৰস্তাৱ আন এবাৰ ভাবি চোৱাঁ, পাৰ্বতীক সেৱা কৰিবলৈ অনুমতি দিয়াঁ।" হিমৱন্তই শিৱক ক'লে।

অতঃপৰ শিৱ সন্মত হ'ল।



তপস্যাৰ ফলত উত্তপ্ত হৈ শিৱৰ দেহৰপৰা এটোপাল ঘাম মাটিত পৰিছিল। সেই ঘামৰ টোপালটোৰপৰা এটি পুত্ৰ-সন্তানৰ জন্ম হ'ল। তাৰ নাম আজানুবাহু। তাৰ দেহবৰ্ণ আছিল ৰঙা। ভূদেৱীয়ে এই পুত্ৰসন্তানটিক কোলাত তুলি ল'লে।

শিৱে ভূদেৱীক ক'লে, "তুমি ধন্য। মোৰ ঘৰ্ম-নিঃসৃত এই সন্তানটিৰ নাম হওক ভৌম। এই সন্তানে তোমাৰ খ্যাতি বহু গুণে বৃদ্ধি কৰিব।

যথাৰীতি ভৌম ডাঙৰ হ'ল। জ্ঞান-বুদ্ধি হোৱাৰ পাছত ভৌম কাশীলৈ গৈ ঈশ্বৰৰ তপস্যাত মগ্ন হ'ল। ভৌমৰ তপস্যাত তুষ্ট হৈ ঈশ্বৰে ভৌমক গ্ৰহমণ্ডলত স্থাপন কৰিলে। পৰৱৰ্তীকাল ভৌমৰ দুটা নাম হ'ল, কুজু আৰু অংগাৰক।

শিৱৰ তপস্যাৰ কালত গংগাই ভূমিলৈ অৱতৰণ কৰিছিল। ভূলোকত জলাভাৱ হোৱাত মানুহে আৰু ঋষিগণেও জলাভাৱ গুচাবলৈ প্ৰাৰ্থনা জনালে। তেতিয়া ব্ৰহ্মাই নিজৰ কমণ্ডলুৰপৰা এক বিন্দু জল পেলোৱাত সেই জলে বিৰাট জল-প্ৰবাহৰ সৃষ্টি কৰিলে। এই প্ৰবাহৰ গতিলৈ লক্ষ্য কৰি শিৱই এই প্ৰবাহক কৈলাসস্থ মানস সৰোবৰত কিয়ৎ পৰিমাণে আবদ্ধ কৰিলে।

দক্ষৰ কন্যাসকলৰ মাজত এজনীৰ নাম আছিল দিতি। দিতি আছিল হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষৰ জননী। হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষ আছিল

এদিন দিতিয়ে বজ্ৰাংগক ক'লে, "বোপা বজ্ৰাংগ, মোৰ পুত্ৰসন্তান নোহোৱালৈ, হলেও মাৰি পেলাবলৈ, দেৱতাসকলে অপচেষ্টা চলাইছিল। তোমাৰ ককায়েৰ দুজনক বিষ্ণুৱে হত্যা কৰিলে। তাৰ পাছতো, মোৰ গৰ্ভত থাকোঁতেই আন এটি সন্তানক ইন্দ্ৰই প্ৰকাৰান্তৰে হত্যা কৰিছিল। তুমি দেৱতাসকলৰ এইবোৰ অন্যায় কাৰ্য্যৰ বিৰুদ্ধে প্ৰতিশোধ লোৱা যদি, মই তোমাৰ এই কামত সঁচাকৈয়েই বৰ ভাল পাম।"

বজ্ৰাংগই ৰাক্ষসবিলাকৰ সহায়ত ইন্দ্ৰৰ ইন্দ্ৰলোকত জুই লগাই, দেৱতাসকলক মাৰ-পিট কৰি, ইন্দ্ৰক বন্দী কৰি স্বৰ্গ অধিকাৰ কৰি ল'লে। এই সম্বাদ পাই দিতিৰ প্ৰাণত আনন্দৰ জোৱাৰ বৈ গ'ল। দেৱতাসকল ব্ৰহ্মাৰ ওচৰলৈ লৰৰি গ'ল। সকলো কথা শুনাৰ পাছত ব্ৰহ্মাই কশ্যপক লগত লৈ বজ্ৰাংগক লগ ধৰিলেগৈ আৰু ইন্দ্ৰক তাৰপৰা মুক্ত কৰি আনি বজ্ৰাংগক ক'লে, "বোপা বজ্ৰাংগ, তুমি স্বৰ্গস্থান দেৱতাসকলক ঘূৰাই দিয়া। স্বৰ্গেৰে তুমিনো কি কৰিবা?"

"মই স্বৰ্গ বা আন কোনো ঠাই অধিকাৰ কৰিবলৈ ইন্দ্ৰৰ বিৰুদ্ধে যুদ্ধ কৰা নাই। ইন্দ্ৰৰ অন্যায় কাৰ্য্যই মোৰ

অতি নিষ্ঠুৰ প্ৰকৃতিৰ। বিষ্ণুৱে দুয়োকো হত্যা কৰিলে।

দিতি পুত্ৰশোকত অধীৰা হ'ল। তাৰ পাছত, কশ্যপৰ পৰামৰ্শত ব্ৰহ্মাৰ তপস্যা কৰি, ব্ৰহ্মাৰ বৰত দিতিয়ে পুনৰ এটি পুত্ৰসন্তান লাভ কৰিলে। এই পুত্ৰৰ নাম আছিল বজ্ৰাংগ।

বজ্ৰাংগৰ জন্মকালত বজ্ৰপাত হৈছিল। ভূমিকম্প আৰু ধুমুহৰো সৃষ্টি হৈছিল। প্ৰকৃতিৰ এনে ৰুদ্ৰৰোষ দেখি দেৱতা-সকলো ভীত হৈ উঠিছিল।

দিতিয়ে বজ্ৰাংগক অতি আদৰেৰে সৈতে ডাঙৰ-দীঘল কৰিবলৈ ধৰিলে।

Sankar

মাতৃক ক্ষুব্ধ কৰি তুলিছিল। তেওঁৰ এটি সন্তানক ইন্দ্ৰই টুকুৰা-টুকুৰা কৰি পেলাইছিল। ইন্দ্ৰ অতি দুৰাত্মা। আপোনাৰ অনুৰোধতহে এইবাৰলৈ তাক মই এৰিলোঁ। ইন্দ্ৰই মোৰ মাতৃক যাতনা নিদিয়াহেঁতেন ময়ো তাক কেতিয়াও এইদৰে বন্দী নকৰিলোহেঁতেন।" বজ্ৰাংগই ক'লে।

এই কথা শুনি ভাল পাই ব্ৰহ্মাই বজ্ৰাংগক বৰ খুজিবলৈ ক'লে।

"মোক আপোনাৰ কৃপা আৰু অনুগ্ৰহ—দুয়োটায়েই লাগে।" বজ্ৰাংগই ক'লে।

বজ্ৰাংগৰ কথা শুনি অতি প্ৰীত হৈ ব্ৰহ্মাই পৰমাসুন্দৰী গাভৰু এজনীৰ সৈতে বজ্ৰাংগৰ বিয়া পাতি দিলে। বিয়াৰ পাছত বজ্ৰাংগ শিৱভক্ত হৈছিল আৰু ভক্তিযুক্ত মনেৰে সংসাৰধৰ্ম পালন কৰিছিল।

কিছুকালৰ পাছত এদিন বজ্ৰাংগই তেওঁৰ পত্নীক ক'লে, "তোমাৰ সেৱাযত্নত মই পৰম তুষ্ট হৈছোঁ। তোমাক কি বৰ লাগে কোৱাঁ।"

তুমি মহাবিক্ৰমশালী। ইন্দ্ৰসহ সকলো দেৱতায়েই তোমাৰ নামত কঁপি উঠে। তোমাৰ দৰে ইন্দ্ৰসহ সমস্ত দেৱতাক পৰাজিত কৰিব পৰা পুত্ৰসন্তান এটি লাগে মোক।" পত্নীয়ে ক'লে।

পত্নীৰ মুখৰপৰা এই কথা শুনি বজ্ৰাংগই মনতে দুখ পালে। কিয়নো, তেওঁৰ পত্নীয়ে প্ৰাৰ্থিত সন্তান পায়ো যদি, এই সন্তানক ইন্দ্ৰই বা বিষ্ণুৱে অধিক দিনলৈ জীয়াই থাকিবলৈ নিদিয়ে—এই কথাত বজ্ৰাংগৰ সন্দেহ নাছিল। কিন্তু তথাপি পত্নী-প্ৰাৰ্থিত বৰ বজাংগই দিবলৈ বাধ্য। কিয়নো, স্বয়ংপ্ৰদত্ত প্ৰতিশ্ৰুতি তেওঁ ভংগ কৰিব নোৱাৰে।

অতঃপৰ, এই সমস্যাৰপৰা উদ্ধাৰৰ আশাৰে বজাংগই ব্ৰহ্মাক উদ্দেশি তপস্যা কৰিবলৈ ধৰিলে।



প্ৰকৃত ভক্ত

এসময়ত একেৰাহে ছুবছৰলৈ বাছ্ৰা নগৰত বৰষুণ নোহোৱা হ'ল। বৰষুণ দিয়াৰ বাবে এই নগৰৰ অধিবাসীসকলে আল্লাহ্-তাল্লাহ্‌লৈ খাটিলে। কিন্তু তাৰ ফলত বৰষুণ তো নহ'লেই, খাল-বিল-পুখুৰীও শুকাই খৰখৰীয়া মাৰিলে।

এনে অৱস্থাত কেইজনমান ভক্তই মছজিদলৈ গৈ আকাশলৈ চাই থাকি ক'লেঃ হে আল্লাহ্, আমাক বৰষুণ দিয়া, ভয়ংকৰ খৰৰ কবলৰপৰা আমাক মুক্তি দিয়া। খেতি-পথাৰতো পানী নাই, আনকি খোৱাপানীও নোহোৱা হ'ল। হে আল্লাহ্, তুমি আমাক পানী দিয়া।

এনে ধৰণৰ অনেক প্ৰাৰ্থনা সিহঁতে কৰিলে; কিন্তু আকাশত এটুকুৰা মেঘৰো সন্ধান নাপালে। অতঃপৰ ভক্তহঁতে ভাগৰি পৰি টোপনিত লাল-কাল দিলে।

কিন্তু এজনৰ চকুত টোপনি নাহিল। এজন ক'লা বৰণৰ যুৱকে বিৰাট বিৰাট শিলৰ চটাবোৰ পাৰ হৈ বহু ওপৰলৈ উঠি যোৱা দেখা পালে তেওঁ। দেখি তেওঁ কৌতূহলী হৈ উঠিলঃ এই যুৱক কোন? ক'লৈ গৈ আছে?

ক'লা বৰণৰ যুৱকে বহু ওপৰলৈ উঠি গৈ আকাশৰ পিনে চাই আছিল। বহুতো পৰলৈকে চাই থকাৰ পাছত যুৱকৰ মুখৰপৰা মাত ওলালঃ হে আল্লাহ্ তুমি মানুহৰ প্ৰাৰ্থনা শুনা নাইনে? তিনি বছৰ ধৰি অনাবৃষ্টিৰ ফলত চাৰিওফালে হাহাকাৰ লাগি পৰিছে। অনতিপলমে বৰষুণ দিয়া, নহ'লে সৰ্বনাশ হ'ব।"

এই কথাবোৰ কৈয়েই সি তললৈ

'আৰবদেশৰ দাস্তাঁ (সাধু)'

নামি গ'ল। সাৰে থকা কাদিৰে যুৱকক সুধিলে, "তুমিনো কোন?"

"মই এজন ক্ৰীতদাস। মছজিদৰ পিছফালে মোৰ ঘৰ। মই ক্ৰীতদাসৰ বেপাৰীহঁতৰ ক্ৰীতদাসৰ মাজত এজন। মোৰ গৰাকীয়ে আমাক বেচিব খুজিছে।"

সাৰে থকা কাদিৰে ক'লে, "তোমাৰ প্ৰাৰ্থনা কিন্তু বেয়া ধৰণৰ হৈছে। তুমি আল্লাৰ ওচৰলৈ প্ৰাৰ্থনা জনোৱাৰ সলনি মোৰ লগত কথা পতাদি আল্লাৰ লগতো কথাহে পাতিছিলা যেন। আল্লা তোমাৰ চুবুৰীয়া বুলি তোমাৰ ধাৰণা হ'ল কিয়?"

এই কথাৰ উত্তৰত ক্ৰীতদাস যুৱক ছোভানে ক'লে, "মোৰ কথা তেওঁ যদি নুশুনেই, তেওঁ ওপৰত আছে বুলি মই জানিম কেনেকৈ? আৰু—তেওঁৰ প্ৰতি মোৰ ইমান আকৰ্ষণেইবা থাকিব কিয়? তেওঁৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছে।" এই বুলি কৈ ছোভানে আকাশলৈ চাই পুনৰ কাদিৰক ক'লে, "সোৱা, চাওক—আকাশলৈ চাওক।"

আকাশলৈ চাই কাঁদিৰ অবাক নহয়—হতবাক হৈ পৰিল। অলপ আগতেও আকাশত মেঘ-ডাৱৰৰ চিন-ছাবো নাছিল। এতিয়া আকাশখন ডাৱৰেৰে ভৰি পৰিছে। চাওঁতে চাওঁতে ধুমুহা-বৰষুণ আৰম্ভ হ'ল। ধাৰাসাৰ বৰষুণ নামিল।

এই দৃশ্য দেখি হতভম্ব কাদিৰ উচপ খাই উঠিল আৰু সেই ক্ৰীতদাস যুৱকলৈ চালে। কিন্তু তেতিয়া তাত সেই ক্ৰীতদাস যুৱক আৰু নাছিল। মুহূৰ্ততে সি যেনিবা মিলাই গ'ল। তিমানতে টোপনিয়াই থকা ভক্তহঁতেও টোপনিৰপৰা সাৰ পালে।

আবেলিৰপৰা ৰাতিলৈকে নেৰানেপেৰা বৰষুণ হৈ থাকিল। বাছ্ৰাৰ অধিবাসীসকল আনন্দত উদ্বাউল হৈ উঠিল।

কাদিৰে তাৰ লগৰীয়া ভক্তহঁতক সেই ক'লা ক্ৰীতদাস যুৱকৰ কথা ক'লে। সিহঁত আটায়ে মিলি মছজিদৰ পিছফালে

থকা চুবুৰীয়াহঁতৰ ঘৰে ঘৰে ছোভানক বিচাৰি ফুৰিল। সিহঁতে ক্ৰীতদাসহঁতৰ গৰাকীক ক'লেগৈ, "তোমাৰ ওচৰত ক্ৰীতদাস আছেনেকি? এটা ক্ৰীতদাস আমাক বেচিবানে?"

"এটা কিয়—ঢেৰ ক্ৰীতদাস আছে, যাক মন যায় তোমালোকে কিনি লৈ যোৱা।" বেপাৰীয়ে ক'লে।

তাত একুৰি ক্ৰীতদাস আছিল। কিন্তু ছোভান নামৰ সেই ক্ৰীতদাস যুৱক তাত নাছিল। সিহঁত নিৰাশ হৈ উভতিবলৈ ধৰিলে। আৰু—তেতিয়াই হঠাৎ এচুকত সেই ক'লা ক্ৰীতদাস যুৱকক দেখা পালে কাদিৰে। কাদিৰে তাক চিনি পালে।

কাদিৰ সেই ক্ৰীতদাস যুৱকৰ কাষ চাপি যোৱাত ক্ৰীতদাসৰ বেপাৰীয়ে তাক থিয় হ'বলৈ ক'লে। কাদিৰে বেপাৰীক ক'লে, "ইয়াকে আমি কিনিব খুজিছোঁ।"

ক্ৰীতদাসৰ বেপাৰীয়ে কাদিৰৰ কথা শুনি অবাক হৈ ক'লে, "চাওক, মই এজন বেপাৰী; কিন্তু মিছা কথা ক'বলৈ মোৰ বৰ ঘৃণা। আপোনালোকে কিনিবলৈ খোজা ক্ৰীতদাসটো কিন্তু অলপ চেৰা-বলিয়া বিধৰ। তাৰে আপোনালোকৰ কাম-বন কৰাব পাৰিবনে নোৱাৰে মই ন-দি ক'ব নোৱাৰোঁ। আপোনালোকে প্ৰকৃত কামৰ বাবে এটা ভাল ক্ৰীতদাস বিচাৰিছে যদি—মই দিব পাৰোঁ।"



কিন্তু সিহঁতে, আৰু কাদিৰেও ছোভানকে কিনিব খুজিলে। বেপাৰীয় অতি কম দামতে ছোভানক তৎক্ষণাৎ বেচি দিলে।

সদ্যে কিনা ক্ৰীতদাস ছোভানক লগত লৈ কাদিৰহঁত নগৰমুৰা হ'ল। বাটত ছোভানে তাৰ নতুন গৰাকীহঁতক সুধিলে, "হুজুৰ, মোক তো আপোনালোকে কিনি আনিলে, এতিয়া কি কাম কৰিম কওক।"

"আমিনো তোমাক কি কাম কৰিবলৈ ক'ম? আমি কি কৰিম তুমি নিৰ্দেশ দিয়া আমাক। তুমি হ'লা আল্লাৰ মৰমধন্য মানুহ। তোমাৰ কথা যে আল্লাই শুনে—আমি ভালকৈ জানিছোঁ।" এই বুলি কোৱাৰ পাছত কাদিৰে সেই ক্ৰীতদাস ছোভানক আগুৰাই আহি ক'লে, "তুমি মোক চিনি পোৱা নাইনে? সেই যে তুমি প্ৰাৰ্থনা কৰিছিলা—আৰু পাছত মই তোমাক সুধিছিলোঁ যে—।"

"হায় মোৰ কপাল!" সকলোটিলৈ চাই ক্ৰীতদাস ছোভানে কৈ উঠিল, "হে আল্লাহ! তোমাৰ-মোৰ গভীৰ সম্পৰ্কৰ কথা ওলাই পৰিল। এতিয়া মানুহে মোক নানান কথা ক'ব, মোৰ মাজত অহংকাৰে বাহ সাজিব। মই আৰু তোমাৰ সৈতে একান্তভাৱে কথা পাতিব নোৱাৰিম কিজানি, আৰু তোমাক একান্তভাৱে নাপামো কিজানি। হে মোৰ দোস্ত, তুমি মোক তোমাক ওচৰলৈ লৈ যোৱা।"

এই কথা কোৱাৰ পাছত ক্ৰীতদাস ছোভান কিছুপৰলৈকে চকু মুদি নীৰৱে বহি থাকিল। কাদিৰ আৰু তাৰ লগৰীয়া ভক্তহঁতে বহু সময়ৰ পাছত ক্ৰীতদাস ছোভানক মাতিলে। কিন্তু তিনমানতে ছোভানৰ মৃত্যু হ'ল। ঈশ্বৰে তাৰ করুণ আবেদন শুনি তাক তেতিয়াই তেওঁৰ ঘৰলৈ মাতি লৈ গ'ল কিজানি।

কাৰ আয়ুস কিমান

ক্েপ্টেইন জেমচকুক্ আছিল অষ্টাদশ শতিকাৰ এগৰাকী সাহসী নাবিক তথা খ্যাতিমন্ত পুৰুষ। ১৭৭৩ চনত তেওঁ ফিলিপাইন দ্বীপপুঞ্জৰ টোংগালৈ গৈছিল। মৈত্ৰীৰ চিনস্বৰূপে তেওঁ সেই দ্বীপৰ ৰজাক এটা কাছ উপহাৰ হিচাপে দিছিল। দ্বীপৰ অধিবাসীসকলে কাছটোক টুইমালেলা বুলি মাতিছিল। ১৯৬৬ চনত টুইমালেলাৰ মৃত্যু হ'ল। মৃত্যুৰ সময়ত কাছটোৰ বয়স প্ৰায় দুশ বছৰ হৈছিল।

কেতিয়াবা ক'ৰবাত এশ দহ বছৰীয়া মানুহো বিচাৰি পোৱা হয়। তথাপি, মানুহৰ গড় আয়ুস হ'ল ৭০ বছৰ। অন্যান্য বহুতো প্ৰাণী মানুহৰ সমানেই আয়ুস পায় পোনতেই কাছৰ নাম ল'ব পাৰি। ইহঁতে সাধাণতে এশ দহ বছৰতকৈ ঢেৰ অধিক কাললৈ জীয়াই থাকে। এশ বিশ বছৰলৈ জীয়াই থকা প্ৰাণীৰ সংখ্যাও কম নহয়।

চৰাইহঁতৰ আয়ুস পশুৰ তুলনাত কম। অষ্ট্ৰেলিয়াৰ কাৰ্কট নামৰ চৰাই সাধাৰণতে ৫৬ বছৰলৈকে জীয়াই থাকে। কেতিয়াবা এই চৰাই ৭৬ বছৰলৈকে জীয়াই থকা দেখা যায়। ফেঁচাবিলাকৰ গড় আয়ুস ৬৮ বছৰ। এবিধ কুকুৰা ৬২ বছৰলৈকে জীয়ে। ছালুকডেগা নামৰ চৰাইৰ আয়ু ৭২ বছৰ। এজাতি সামুদ্ৰিক কাউৰী ৩৬ বছৰলৈকে জীয়াই থাকে। কুলি চৰাই কেতিয়াবা কেতিয়াবা ২১ বছৰলৈকো জীয়াই থকা দেখা যায়। ১৬ বছৰলৈকে জীয়াই থকা চৰাইৰ সংখ্যা অসংখ্য। কিছুমান গীতগোৱা চৰাইৰ আয়ুস বৰ কম, মাত্ৰ ৫ বছৰ।

কিছুমান মাছ ১৫০ বছৰলৈকে জীয়াই থাকে। ঘোঁৰাৰ গড় আয়ুস ৬২ বছৰ। হাতীৰ গড় আয়ুস মাত্ৰ ৫০ বছৰ। অৰণ্যে কেতিয়াবা কেতিয়াবা ৮০ বছৰীয়া হাতীৰো সন্ধান পোৱা যায়।



ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৫ চনৰ অগাস্ট সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৫ চনৰ জুন মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৫ চনৰ এপ্ৰিল মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : আনন্দৰ খেল

দ্বিতীয় ফটো : মৰমৰ মেল

পুৰস্কাৰ পাওঁতা : ব্ৰজেন্দ্ৰ ডেকা, ৰঙিয়া টাউন, কামৰূপ।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। ব্ৰোচ ২। দওলতাবাদ ৩। ১৯৩১ ৪। উদয়পুৰৰ জগমন্দিৰ ভৱন চাই ৫। জাহাংগীৰৰ আমোলত।

Printed by B. V. REDDI at Prasad Process Private Ltd., and Published by B. VISWANATHA REDDI for CHANDAMAMA CHILDREN'S TRUST FUND (Prop. of Chandamama Publications) 188, Arcot Road, Madras-600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adopting them in any manner will be dealt with according to law.

ৰং-ৰহইচৰ ৰজা...গোল্ড স্পটৰ মজা !
GOLD SPOT
Artificially flavoured. Contains no fruit juice or fruit pulp.
serve chilled
GOLD SPOT

मुफ्त ! मुफ्त !! मुफ्त !!!

हमारी कंपनी ने पूरे हिंदुस[illegible] बहुत नाम कमाया है. पांच साल गारंटी का माल पहले पहल हमने ही बनाया है. पंद्रह साल की कोशिश और तजुर्बे के बाद हमने यह माल बनाया है. हिंदुस्तान की तमाम कंपनियों में हमारी कंपनी एकदम बड़ी है. हमारी कंपनी के समस्त जेवरों की सूची तथा उनके मूल्य आप घर बैठे ही मुफ्त मंगा सकते हैं. हमारे बहुमूल्य केटलाग को देखकर आप अपनी मनपसंद चीज़ सिर्फ नंबर लिखकर वी.पी.पी. द्वारा मंगा सकते हैं.

पूरे हिन्दुस्तान में हमें अनुभवी एजेंटों की जरूरत है।



सभी सूचना हिन्दी अथवा अंग्रेजी में लिखना

MERI GOLD COVERING WORKS

POST BOX No. 1405,

14, RANGANATHAN STREET, T. NAGAR, MADRAS-600 017

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026


নটৰাজ পেন্সিলৰ লিখনি
সুনিপুণ নিখুঁত বাচনি
নটৰাজ পেন্সিল
বেছিকৈ লিখে, বেছিকৈ চলে